
# সন্ধানী

## প্ৰথম প্ৰয়াস



**ৰূপালী জয়ন্তী বৰ্ষ**

**শঙ্কৰদেৱ বিদ্যা নিকেতন**

**কঠীয়াতলী, নগাঁও**

সম্পাদক

শ্ৰী কৌস্তভ বৰা

Scanned by CamScanner

বিদ্যা ভাৰতী অখিল
ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ
**শিশু শিক্ষা সমিতি, অসম**
**নগাঁও বিভাগ**

विद्या भारती अखिल
भारतीय शिक्षा संस्थान से संबद्ध
**शिशु शिक्षा समिति, असम**
**नगाँव विभाग**


Email: nagaonvibhag@gmail.com
Mathura Nagar, Tellagaon : Nagaon : Assam




শুভেচ্ছাবাণী

শংকৰদেৱ বিদ্যা নিকেতন, কঠীয়াতলীৰ পূৰ্ব ছাত্ৰ সকলে বিদ্যালয়ৰ ৰূপালী বৰ্ষৰ শুভক্ষণত এখন ই-আলোচনী "সন্ধানী" নামেৰে প্ৰকাশ কৰিব বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো । মনৰ ভাষাবোৰ আখৰৰ্ৰে ৰূপান্তৰ হ'লে ইতিহাস প্ৰতিফলিত কৰাৰ আৰু ধৰি ৰাখিব পৰাৰ সামৰ্থ থাকে, অন্যথা পানীৰ বুদবুদৰ দৰে মনতেই বিলীন হয় । শিক্ষানুষ্ঠান এখনৰ আটাইতকৈ মূল্যবান সম্পদ হ'ল পূৰ্ব ছাত্ৰ সকল। বিদ্যালয় এখনৰ আশা, আকাংক্ষা আৰু আদৰ্শ প্ৰতিফলিত হয় পূৰ্ব ছাত্ৰ সকলৰ মাধ্যমেৰেই।

এসময়ৰ কণ কণ ছাত্ৰ-ছাত্ৰী সকলে আজি ২৫ বছৰৰ কাল অৱধিত তেওঁলোকৰ দ্বাৰা প্ৰকাশিত "সন্ধানী" ৰ যোগেদি বিদ্যালয়ৰ লগতে সমাজৰ আন সকলকো গৌৰৱান্বিত কৰিছে। আশা ৰাখিছো "সন্ধানী" য়ে সকলোকে জ্ঞান আলোকৰ সন্ধান দি স্মৰণীয় হৈ থাকিব ।

'সন্ধানী' সৰ্বাংগ সুন্দৰ হোৱাৰ আশাৰে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো ।

(শ্ৰীপৰাণ বৰা )
বিভাগ নিৰীক্ষক, নগাঁও বিভাগ
শিশু শিক্ষা সমিতি, অসম




Scanned by CamScanner

# শুভেচ্ছা বাণী



বিদ্যা ভাৰতীৰ সৌজন্যত শিশু শিক্ষা সমিতি অসমৰ তত্বাৱধানত পৰিচালিত কঠিয়াতলী শংকৰ দেৱ বিদ্যা নিকেতন খনিয়ে ২৫ বছৰ অতিক্ৰম কৰি ৰূপালী জয়ন্তী উৎসৱ পালনৰ প্ৰস্তুতিৰ বাতৰি পায় অতিশয় আনন্দিত হৈছো। উৎসৱ উপলক্ষে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকল একত্ৰিত হৈ নিকেতন খনিৰ সৌষ্ঠৱ বৰ্দ্ধমানৰ হেতু 'সন্ধানী' নামেৰে এখনি আলোচনি প্ৰকাশৰ যি প্ৰয়াশ কৰিছে তাত মই অত্যন্ত সুখ অনুভৱ কৰিছো। এই আলোচনি খনি সূৰ্য্যৰ পোহৰৰ দৰে চিৰ জ্যোতিষ্মান হৈ থাকক তাকেই কামনা কৰিছো। সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু হিয়া ভৰা আশীৰ্বাদ থাকিল। সকলোৰে ভৱিষ্যৎ উজ্জ্বল হওক।

**শ্ৰী টঙ্কেশ্বৰ বৰা**
প্ৰতিষ্ঠাপক সম্পাদক
শঃ বিঃ নিঃ কঠিয়াতলী



Scanned by CamScanner

# শুভেচ্ছা বাণী



কঠীয়াতলী, শঙ্কৰদেৱ বিদ্যা নিকেতনৰ প্ৰাক্তন ছাত্ৰ-ভাৰতীৰ উদ্যোগত, নিকেতনৰ ৰূপালী জয়ন্তী সমাৰোহৰ লগত সংগতি ৰাখি "সন্ধানী" নামৰ আলোচনীখনৰ প্ৰথম বাৰ্ষিক সংখ্যা প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি সুখী হলো।

নিকেতনখনৰ পৰা শিক্ষা সাং কৰি ওলাই যোৱা ভিন্ন প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰী সকলে প্ৰকাশ কৰা এই আলোচনীখনে ভৱিষ্যতৰ দিনবোৰত উঠি অহা ছাত্ৰ-ছাত্ৰী সকলক প্ৰকৃত পথৰ সন্ধান দিয়াত সক্ষম হ'ব।

এই আশাৰে ......

**শ্ৰী স্বাধীন গোহাঁই**
প্ৰধান আচাৰ্য
শঙ্কৰদেৱ বিদ্যা নিকেতন, কঠিয়াতলী



Scanned by CamScanner

# শুভেচ্ছা বাণী

শঙ্কৰদেৱ বিদ্যা নিকেতন, কঠীয়াতলীৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি প্ৰাক্তন ছাত্ৰ ভাৰতীৰ দ্বাৰা প্ৰকাশিত "সন্ধানী" আলোচনী প্ৰকাশৰ কথা জানিব পাৰি আনন্দিত হলো। এনেদৰে আমি ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়ত পঢ়ি থকা অৱস্থাতে লিখা-মেলা কৰাতো অতি সুন্দৰ অভ্যাস। আমাৰ মনত নিৰবে থকা কবি লিখক মনতোক জীপাল কৰি তোলাত ই নিশ্চয় সহায় কৰিব। আমাৰ মাজৰ পৰাই হয়তো কোনোবা ভাল কবি, লিখক, গল্পকাৰ, সাহিত্য সমালোচক এদিন ওলাব।

গতিকে লিখক বন্ধু বান্ধৱী সকলক সু-সাহিত্যৰ সৃষ্টিৰ জৰিয়তে নিজকে সমাজত প্ৰতিষ্ঠিত কৰি অসমীয়া ভাষাৰ ভঁড়াল চহকী কৰিবলৈ সাদৰ আহ্বান জনালো। শেষত জয়তু ভাষা। জয়তু সংস্কৃতি, জয়তু বিদ্যাভাৰতী।

**শ্ৰী মিনেশ্বৰ ডেকা**
প্ৰাক্তন আচাৰ্য
শঙ্কৰদেৱ বিদ্যা নিকেতন, কঠীয়াতলী

Scanned by CamScanner

# সম্পাদকৰ একলম



*শ্ৰী কৌস্তভ বৰা*
আলোচনী তথা সাহিত্য সম্পাদক
প্ৰাক্তন ছাত্ৰ ভাৰতী

অখিল ভাৰতীয় শিক্ষা সংস্থান বিদ্যা ভাৰতীৰ সংবদ্ধ শিশু শিক্ষা সমিতি অসমৰ দ্বাৰা পৰিচালিত 'শংকৰদেৱ বিদ্যা নিকেতন' 'শিশু নিকেতন' নামৰ বেচৰকাৰী শিক্ষানুষ্ঠান সমূহে সাম্প্ৰতিক সময়ত অসমৰ শৈক্ষিক ক্ষেত্ৰখনত এক প্ৰকাৰৰ নৱ জাগৰণৰ সৃষ্টি কৰিছে। এই নিকেতন সমূহত ছাত্ৰ-ছাত্ৰীৰ নতুন নামভৰ্ত্তিৰ বাবে এক কঠোৰ নিয়ম নীতি প্ৰয়োগ কৰিব লগীয়া এটা অৱস্থাৰ সৃষ্টি হৈছে। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত দেখুওৱা ভাল ফলাফলেই ইয়াৰ একমাত্ৰ কাৰণ নিশ্চই নহয়। মই ভাবো এই নিকেতন সমূহৰ থলুৱা মাটিৰ গোন্ধ থকা শিক্ষা পদ্ধতি আৰু শাৰীৰিক যোগ, সংগীত সংস্কৃত আৰু নৈতিক আধ্যাত্মিক এই পঞ্চমুখী শিক্ষা নীতিয়েও শিক্ষাসন্দী জনমানসক আকৰ্ষণ কৰাৰ অন্যতম কাৰণ। নিকেতন সমূহৰ সৰ্বাংগীন উৎকৰ্ষ আৰু বিকাশ সাধনৰ লক্ষ্যত প্ৰয়োগ কৰা ব্যৱহাৰিক সংস্কাৰ যোজনা সমূহেও সচেতন অভিভাৱক সকলক নিকেতনমুখী কৰিছে। কন কন শিশুহঁতক পূৰ্ণ মানৱ ৰূপত গঢ়ি তোলাৰ নিৰলস কৰ্মযজ্ঞ সদৃশ বাতাবৰণ নিকেতন সমূহত বৰ্তি থাকে। নিজৰ মাতৃভাষা, নিজৰ সংস্কৃতি, আপোন পৰম্পৰাৰে ছাত্ৰ-ছাত্ৰী সকলে শিক্ষা গ্ৰহণ কৰিবলৈ স্বাধীনতা দিয়া এই নিকেতন খনিত মই অধ্যয়ন কৰিবলৈ সুযোগ পোৱাত মই অতি গৌৰৱান্বিত।

একোখন শিক্ষানুষ্ঠানৰ আলোচনী প্ৰকাশৰ দিহা কৰা হয় ছাত্ৰ-ছাত্ৰী ব্যক্তিত্ব গঠনৰ ভেটি নিৰ্মাণ কৰা, তেওঁলোকৰ বুদ্ধিমতা বৃদ্ধিৰ পৰিৱেশ ৰচনা কৰা, তেওঁলোকৰ চিন্তাৰ পথ পৰিচ্ছন্ন কৰি তোলা আৰু নিৰ্দিষ্ট পাঠ্যক্ৰমৰ পৰিসীমাৰ পৰা বাহিৰলৈ উলিয়াই আনি তেওঁলোকৰ সৃষ্টিশীল কৰ্মত নিমগ্ন কৰা আদি লক্ষ্যৰে। বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ আদৰ্শ গ্ৰহণ কৰি স্থাপন হোৱা শিশু শিক্ষা সমিতি অসমৰ দ্বাৰা পৰিচালিত কঠীয়াতলী শংকৰদেৱ বিদ্যা নিকেতনত নতুনকৈ গঠন হোৱা প্ৰাক্তন ছাত্ৰ ভাৰতীয় দ্বাৰা বাৰ্ষিক আলোচনী 'সন্ধানী' প্ৰকাশ কৰিবলৈ লোৱা প্ৰচেষ্টা আদৰণীয়। এটি শিক্ষানুষ্ঠানৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা প্ৰকাশ পোৱা আলোচনীখন অনুষ্ঠানটোৰ লগতে অঞ্চলটোৰ বাবে ইতিহাস। কাৰণ




Scanned by CamScanner

সাহিত্যৰ মনোযোগে বৰ্তমান নৱ প্ৰজন্মৰ মাজত বৃদ্ধি পোৱা মবাইল অনলাইন গেম, ছ'ছিয়েল মিডিয়া
আদি কেতবোৰ অভ্যাস নাইকীয়া কৰে। গল্প আলোচনী বাতৰি কাকত অধ্যয়নত ৰাপ বাঢ়ি যায় আৰু
সাহিত্যৰ লগতে সৃষ্টিশীল জগতখনত নিজকে প্ৰৱেশ ঘটাব পাৰে।

যদিও প্ৰতিবছৰে এই নিকেতনৰ পৰা 'মৌ-কোঁহ' আলোচনী প্ৰকাশ পায়, কিন্তু এই বছৰৰ পৰ
প্ৰতিবছৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সুকীয়াকৈ 'সন্ধানী' নামৰ আলোচনীখন ডিজিটেল আকাৰত আৰু পুথি
আকাৰত প্ৰকাশ পাব। আশাকৰো সকলো আৰচাৰ্য্য-আচাৰ্য্যা, অভিভাৱক-অভিভাৱিকা, প্ৰিয় পাঠক বৃন্দই
আদৰি লয় যেন। যদি কিবা ভুল ত্ৰুটি ৰৈ যায় আপোনাসৱে ক্ষমা কৰে যেন আৰু পৰৱৰ্তী সংখ্যাত সেই
ভুল ত্ৰুটিবোৰ দেখুওৱাই দি আলোচনীখনৰ সফল ৰূপায়নত সহায় কৰে, তাৰেই কামনা কৰিলো।

সদৌ শেষত 'সন্ধানী'ৰ প্ৰকাশ নিৰ্দিষ্ট সময়ে সময়ে হৈ থকাৰ অদৃশ্যজনে কৃপা কৰিব। এই কামনাৰে
পৰিচালনা সমিতিৰ সম্পাদকৰ একলম সামৰিলোঁ।






Scanned by CamScanner

# ঃঃ সূচীপত্ৰ ঃঃ

## প্ৰবন্ধ শিতান

১। আমাৰ পৰিচয় ঃ শ্ৰী শুভংকৰ পাল, ২০০৭ বৰ্ষ।।০৯।।
২। শিশু শিক্ষাৰ সৰ্বাংগান বিকাশত খেল ধেমালীৰ প্ৰয়োজনীয়তা ঃ শ্ৰী বিক্ৰমজিৎ গোঁহাই, ২০১৫ বৰ্ষ।।১০।।
৩। প্ৰজন্ম ভেদ ঃ শ্ৰী কৌশিক বৰা, ২০০৯ বৰ্ষ।।১১।।
৪। মুকা অভিনয় এক অন্যতম পৰিচয় ঃ শ্ৰী দেৱিকা বসুমতাৰী, ২০১৬ বৰ্ষ।।১৪।।
৫। এৰি অহা সোণসেৰীয়া মোৰ নিকেতনলৈ এভুমুকি ঃ শ্ৰী ঝৰ্ণাৰাণী কাকতি, ২০১৮ বৰ্ষ।।১৫।।
৬। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আদিলীলা আৰু বটদ্ৰবা থানৰ ইতিবৃত্ত অথবা কিম্বদন্তীৰ দৃষ্টিৰে বটদ্ৰৱা ঃ শ্ৰী দিপমণি বৰা, ২০১৫ বৰ্ষ।।১৭।।
৭। শিক্ষাথীৰ জীৱনত শিক্ষাগুৰুৰ অৱদান ঃ শ্ৰী মানৰত্ন বৰা, ২০১৬ বৰ্ষ।।১৯।।
৮। From Zero to Hero ঃ কৌস্তভ বৰা, ২০১৬।।২১।।
৯। প্লাষ্টিক প্ৰদূষণৰ প্ৰতিৰোধ ঃ শ্ৰী ধনঞ্জয় আমচং, ১৯৯৯ বৰ্ষ।।২২।।

## কবিতা শিতান

১০। পৰিবৰ্তন ঃ শ্ৰী স্নিগ্ধা বৰদলৈ, ২০১৩ বৰ্ষ।।২৪।।
১১। কল্পনা ঃ শ্ৰী ঝৰ্ণাৰাণী কাকতি, ২০১৮ বৰ্ষ।।২৪।
১২। নিস্তব্ধতা ঃ শ্ৰী জিষ্ণু প্ৰকাশ বৰুৱা, ২০১৪ বৰ্ষ।।২৫।।
১৩। আমাৰ নিকেতন ২৫ বছৰ সম্পূৰ্ণ হ'ল ঃ শ্ৰী প্ৰীতম বৰা, ২০১৮ বৰ্ষ।।২৫।।
১৪। কল্পনাৰ হাঁহি ঃ শ্ৰী নয়নজ্যোতি বৰা, ২০১৩ বৰ্ষ।।২৬।।
১৫। পুৰাৰ এটা তেজাল কবিতা ঃ শ্ৰী ৰিমঝিম হাজৰীকা, ২০১৫ বৰ্ষ।।২৬।।
১৬। জয় ঃ শ্ৰী সংগীতা ডেকা, ২০১৫ বৰ্ষ।।২৭।।
১৭। হয়তো তুমি নাজানা ঃ শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, ২০১৮ বৰ্ষ।।২৭।।
১৮। নিঠৰুৱা জীৱন ঃ শ্ৰী অপৰাজিতা বৰা, ২০১৫ বৰ্ষ।।২৮।।



Scanned by CamScanner

১৯। মোৰ হৃদয়ৰ শেৱালি ঃ শ্ৰী তৃষাঋষি বৰা, ২০১৫ বৰ্ষ।।২৮।।
২০। হে অসমী আইৰ বীৰ ঃ শ্ৰী মানৱত্ৰ বৰা, ২০১৬ বৰ্ষ।।২৯।।
২১। এয়াই নেকি ঃ শ্ৰী জোতিষ্কা ভূঁঞা, ২০১৫ বৰ্ষ।।২৯।।
২২। গুৰু শংকৰ ঃ শ্ৰী দিপমণি বৰা, ২০১৫ বৰ্ষ।।৩০।।
২৩। মই হীৰেণ নামৰ কবি ঃ শ্ৰী হিৰণ্য বৰা, ২০১২ বৰ্ষ।।৩১।।
২৪। এমুঠি সচাঁ মানুহ লাগে ঃ শ্ৰী ৰুচি শইকীয়া, ২০১৩ বৰ্ষ।।৩২।।
২৫। **তনহা** ঃ শ্ৰী ডিম্পী শৰ্মা, ২০১৬ বৰ্ষ।।৩৩।।
২৬। নিসংগতা ঃ শ্ৰী ধৰিত্ৰী বৰা, ২০১৫ বৰ্ষ।।৩৩।।
২৭। অন্ধবিশ্বাস হায় ! হায় ! ঃ শ্ৰী কৌস্তভ বৰা, ২০১৬ বৰ্ষ।।৩৪।।

## সাধাৰণ জ্ঞান আৰু অন্যান্য

২৮। আমাৰ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় সম্পদ সমূহ ঃ শ্ৰী মৌচুমী বৰা, ২০০০ বৰ্ষ।।৩৫।।
২৯। অসমৰ কিছু তথ্য ঃ শ্ৰী ধনঞ্জয় আমচং, ১৯৯৯ বৰ্ষ।।৩৬।।

Scanned by CamScanner

# আমাৰ পৰিচয়

*শ্ৰী শুভঙ্কৰ পাল*
২০০৭ বৰ্ষ সম্পাদক, প্ৰাক্তন ছাত্ৰ ভাৰতী

ইতিহাস গৰকা শঙ্কৰদেৱ বিদ্যা নিকেতন, কঠীয়াতলী নিকেতন খনিয়ে আজি ২৫ বছৰ পূৰ কৰি 'ৰূপালী জয়ন্তী' বৰ্ষত ভৰি দিছেহি। নগাঁও জিলাৰ কঠীয়াতলী অঞ্চলত কেইজনা মহান ব্যক্তিৰ প্ৰৱল প্ৰচেষ্টাত এই নিকেতনখন প্ৰতিষ্ঠা কৰি তুলা হৈছিল। তেনে মহান ব্যক্তিৰ মহানতাৰ ফলতেই আজি নিকেতনখনিয়ে এই 'ৰূপালী জয়ন্তী' সমাৰোহ উদ্‌যাপন কৰিবলৈ সক্ষম হৈছে।

ইং ১৯৯৪ চনত প্ৰতিষ্ঠিত এই বিদ্যা মন্দিৰখনি গঢ়ি উঠিছিল একমাত্ৰ সমাজ সংস্কাৰ ও মাতৃভাষা প্ৰচাৰৰ বাবে। সমাজত মাতৃভাষাৰ গুৰুত্ব আৰু ইয়াৰ দায়িত্বৰ প্ৰতি একনিষ্ঠ হ'বলৈ এই বিদ্যা মন্দিৰখনিৰ অৱদান সদায়েই চিৰস্মৰণীয় আৰু চিৰযুগমীয়া। এখন সুস্থ ও শিক্ষিত সমাজ গঢ়ি তোলাৰ যি প্ৰচেষ্টা সেয়া কেৱলমাত্ৰ সম্ভাৱনীয় এক শিক্ষা পদ্ধতিৰ যোগেদি, যাৰ সফল ৰূপায়নত এক বিশেষ অৱদান অখিল ভাৰতীয় শিক্ষা সংস্থান 'বিদ্যা ভাৰতীৰ' দ্বাৰা পৰিচালিত এই শঙ্কৰদেৱৰ শিশু/বিদ্যা নিকেতন সমূহ। মানৱ সম্পদ গঢ়াৰ যি প্ৰচেষ্টা আৰু প্ৰয়াস তাৰ সফল ৰূপায়ণত কঠীয়াতলী শঙ্কৰদেৱ বিদ্যা নিকেতনৰ অৱদান সচাঁকৈয়ে প্ৰশংসনীয় যোৱা ২৫ বছৰে ধৰি নানা ঘাত প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি অহা নিকেতনখনিয়ে আজি 'ৰূপালী জয়ন্তী' বৰ্ষ উদ্‌যাপন কৰাৰ সক্ষমতাৰ একমাত্ৰ কাৰণেই হৈছে ইয়াৰ লক্ষ্য আৰু সু-পৰিকল্পনা।

নিকেতনখনিৰ এনে শুভক্ষণত আমি স্মৰণ কৰিব লাগিব সেই সকল আচাৰ্য-আচাৰ্য্যাৰ নাম যিসকলৰ অটল প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত এই সুন্দৰ অনুষ্ঠানটিৰ জন্ম ও বৰ্তমানে পৰিচালিত। জীৱনৰ পথ-প্ৰদৰ্শক হিচাপে আচাৰ্য্য-আছাৰ্য্যাৰ আঙুলিত ধৰি আগবাঢ়ি অহা আমি সকলোৱে আজিৰ সমাজৰ একো একোজন নাগৰিক। তেওঁলোকৰ অৱদান আৰু অপ্ৰাণ চেষ্টাৰ আজি সফল ৰূপায়নত আমি সকলো ছাত্ৰ-ছাত্ৰীয়েই দায়বদ্ধ। সমাজৰ নানা কু-সংস্কৃতি আৰু অপপ্ৰচাৰৰ পৰা নিজকে বিৰত ৰাখি সমাজক এক নতুন দিশে আগুৱাই লৈ যাব লাগিব। তেতিয়াহে এই নিকেতন তথা বিদ্যা ভাৰতীৰ লক্ষ্যৰ সফল ৰূপায়ন ঘটিব।

ব্যক্তিৰ ব্যৱহাৰেই ব্যক্তিৰ পৰিচয় দাঙি ধৰে। এনে ক্ষেত্ৰত শিশু শিক্ষা সমিতি, অসমৰ দ্বাৰা পৰিচালিত শঙ্কৰদেৱ বিদ্যা নিকেতনে গঢ় দিয়ে সু-নাগৰিকৰ তথা সু-ব্যক্তিত্বক। যাৰ ব্যৱহাৰেই তেওঁৰ পৰিচয় দাঙি ধৰে। এনে এখন সুন্দৰ আৰু সু-সংস্কৃতি সমৃদ্ধ নিকেতনৰ ছাত্ৰ/ছাত্ৰীৰূপে নিজকে পৰিচয় দিয়াত গৌৰৱবোধ হয়। কেৱল মাত্ৰ পুথিগত জ্ঞানৰ যোগেদি সমাজত প্ৰতিষ্ঠিত হ'ব নোৱাৰি, তাৰ বাবে প্ৰয়োজন সুচিন্তা, সুস্থ মানসিকতা আৰু উদাৰতা। যদি আজিৰ সমাজত এনে সুস্থ মানসিকতা, সু-চিন্তাৰ ব্যক্তি গঢ়ি তুলিব পাৰি তেন্তে সমাজৰ বিশৃংখলাবোৰ নাইকিয়া হৈ পৰিব। যাক পূৰ্ণৰূপ দিবলৈ শিশু শিক্ষা সমিতি, অসমৰ দ্বাৰা বিভিন্ন ঠাইত গঢ়ি তোলা হৈছে শঙ্কৰদেৱ শিশু বিদ্যা নিকেতনসমূহ। সঁচাকৈয়ে এই শিক্ষানুষ্ঠানসমূহৰ লক্ষ্য আৰু পৰামৰ্শ অতিকৈ মহান। আজি এনে এখন বিদ্যা মন্দিৰৰ ছাত্ৰ হিচাপে মই গৌৰৱ অনুভৱ কৰোঁ।



Scanned by CamScanner


# শিশুৰ শিক্ষাৰ সৰ্বাংগীন বিকাশত খেল-ধেমালীৰ প্ৰয়োজনীয়তা

*শ্ৰী বিক্ৰমজিৎ গোঁহাই*
২০১৫ বৰ্ষ ক্ৰীড়া প্ৰমূখ, প্ৰাক্তন ছাত্ৰ ভাৰতী

শিশুৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক বিকাশ সাধনেই শিক্ষা। গতিকে শাৰীকি বিকাশ সাধনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিখন বিদ্যালয়তে পাঠ্যক্ৰমৰ লগত খেল-দেমালিবোৰ অন্তভূক্ত কৰাটো বিশেষভাৱে প্ৰয়োজনীয়। শিশুৰ ব্যক্তিত্বৰ পূৰ্ণৰূপে বিকাশ কৰাটোৱে হৈযে শিক্ষাৰ উদ্দেশ্য। গতিকে শিশুৰ ব্যক্তিত্বৰ বিকাশত শাৰীৰিক শিক্ষাৰ প্ৰয়োজনীয়তা আছে।

খেল-ধেমালিয়ে শিশুৰ সুস্বাস্থ্য প্ৰদান কৰে। সৰল শৰীৰৰ গঠন কৰি সুস্থ মনৰ অধিকাৰী কৰি তোলে। স্বাস্থ্যই মানুহৰ অমীমূল্য সম্পদ। স্বাস্থ্যহীন মানুহ সদায় নানা ৰোগ-ব্যাধিৰ চিকাৰ হৈ পৰে। নিয়মীয়া খেল-ধেমালি বা ব্যামে সুস্বাস্থ্য প্ৰদান কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীলৈ আন কেতবোৰ প্ৰমূল্য বহন কৰি থাকে। সহনশীলতা, নিয়মানৰৰ্তিতা, ভাতৃত্ব, বন্ধুত্ব, বুদ্ধিমত্তা আদি গুণবোৰ ছাত্ৰ-ছাত্ৰীয়ে খেল ধেমালিৰ জৰিয়তে আয়ত্ব কৰিব পাৰে। ভৱিষ্যতলৈ উচ্চ শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয় আদিত নামভৰ্ত্তিকৰণৰ ক্ষেত্ৰত খেলা-ধূলাৰ অৰ্হতা পত্ৰই যথেষ্ট সহায়ক হয়।

অতি সম্প্ৰতি গোলকীয়া অৰ্থনীতিৰ প্ৰভাৱত গঢ়ি উঠা ভোগবাদী সমাজ ব্যৱস্থাত ইন্টাৰনেট আৰু উলেক্ট্ৰনিক মাধ্যমৰ সহজলভ্যতাই আমাৰ কিশোৰ-কিশোৰী সকলৰ মন ভাৰাক্ৰান্ত। সাম্প্ৰতিক সময়ত এই সমস্যাবিলাকৰ পৰা কিশোৰ-কিশোৰীহঁতৰ ৰক্ষ কৰি ভৱিষ্যতে সু-নাগৰিক কৰি গঢ়ি তুলিবলৈ বিদ্যাল চৌহদত ক্ৰীড়াংগনখন সুপৰিকল্পিতভাৱে গঢ়ি তুলি লাগিব লগতে আন্তঃ বিদ্যালয় ক্ৰীড়া প্ৰতিযোগিত সমূহত ছাত্ৰ-ছাত্ৰীসকলক অংশ গ্ৰহণ কৰিবলৈ উদ্‌গনি যুগোৱা উচিত।





Scanned by CamScanner

# প্ৰজন্ম-ভেদ

*শ্ৰী কৌশিক বৰী*
২০০৯ বৰ্ষ
গৱেষক ছাত্ৰ, পদাৰ্থ বিজ্ঞান বিভাগ
কেন্টাকী বিশ্ববিদ্যালয়, লেক্সিংটন, আমেৰিকা যুক্তৰাষ্ট্ৰ

'প্ৰজন্ম-ভেদ' (Generation Gap) শব্দটো আমাৰ সমাজত প্ৰায়েই শুনিবলৈ পোৱা যায়। বিষয়বস্তু হিচাপে ই সমাজ বিজ্ঞানৰ অংশ। যদিওবা সমাজ বিজ্ঞান মোৰ কৰ্মক্ষেত্ৰ নহয়, তথাপি সমাজৰ হিতৰ উদ্দেশ্যে ইয়াৰ ওপৰত বৈজ্ঞানিক দৃষ্টিভংগীৰে এটি চমু বিৱৰণ দিয়াৰ প্ৰয়াস কৰিছো। নিশ্চিতৰূপে উক্ত শিৰোনামাই স্বাভাৱিকতে লেখনিটো বিতৰ্কৰ মাজলৈ লৈ যাব পাৰে গতিকে সকলোকে নিজৰ বিবেকেৰে চিন্তা কৰিবলৈ অনুৰোধ জনালো আৰু এই লেখনিত ব্যৱহৃত কোনো শব্দই যদি কাৰোবাক মনত আঘাত দিয়ে তেন্তে মই তাৰ বাবে ক্ষমাপ্ৰাৰ্থী।

পদাৰ্থ বিজ্ঞান হৈছে মোৰ কৰ্মক্ষেত্ৰ। গতিকে এই ক্ষেত্ৰৰ পৰাই এটি উদাহৰণ দাঙি ধৰিব বিচাৰিছো। সৰ্বকালৰ মহান বিজ্ঞানীসকলৰ অন্যতম হৈছে এলবাৰ্ট আইনষ্টাইন। মাত্ৰ পঁচিশ বছৰ বয়সতে 'বিশেষ আপেক্ষিকতাবাদ' (Special Theory of Relativity) তত্ত্ব আবিস্কাৰৰ দ্বাৰা তেওঁ পদাৰ্থ বিজ্ঞান ক্ষেত্ৰত খলকনি তুলিছিল। সেই সময়ৰ বিশ্বৰ আগশাৰীৰ পদাৰ্থবিজ্ঞানীসকলৰ মাজতো তেওঁৰ তত্ত্বই ব্যাপক চৰ্চা লাভ কৰিছিল যদিও অধিকাংশ বিজ্ঞানীয়ে সেই তত্ত্ব মানি ল'ব পৰা নাছিল। আনকি বিশেষ আপেক্ষিকতাবাদৰ বাবে আইনষ্টাইনক ন'বেল বঁটা প্ৰদানৰ পৰাও বিৰত ৰখা হৈছিল। পৰৱৰ্তী সময়ত পৰীক্ষামূলকভাৱে আইনষ্টাইনৰ তত্ত্বৰ শুদ্ধতা প্ৰমাণিত হয় আৰু বিজ্ঞান সমাজত সেই তত্ত্বই সমাদৰ লাভ কৰে। কিন্তু আইনষ্টাইনৰ বয়স যেতিয়া পঞ্চাশৰ সীমা অতিক্ৰম কৰিছিল তেতিয়া সেইসময়ৰ পদাৰ্থবিজ্ঞানৰ মূল চৰ্চাৰ বিষয় 'কুৱান্টাম বলবিজ্ঞান' (Quantum Mechanics) তত্ত্ব আইনষ্টাইনে মানি লব পৰা নাছিল আৰু মৃত্যুপৰ্যন্ত কুৱান্টাম বলবিজ্ঞানৰ বিষয়ে নিজৰ দ্বিমত প্ৰকাশ কৰিছিল। নিশ্চিতৰূপে আজিৰ তাৰিখত কুৱান্টাম বলবিজ্ঞানে পদাৰ্থ বিজ্ঞান ক্ষেত্ৰত এক সুদূৰ প্ৰসাৰী তত্ত্বহিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। সেইবুলি আইনষ্টাইনৰ ব্যক্তিত্বৰ সমাদৰ বিজ্ঞান সমাজত কমি যোৱা নাই। গতিকে বিজ্ঞান সমাজত ই এটি উদাহৰণহে মাত্ৰ। সাহিত্য, কলা, দৰ্শণ ইত্যাদি বিশ্বৰ অন্যান্য ক্ষেত্ৰসমূহতো প্ৰজন্ম-ভেদৰ অনেক উদাহৰণ পোৱা যায়।

আমাৰ দৈনন্দিন কৰ্মসংস্কৃতিটো এনে প্ৰজন্ম-ভেদ ঘৰ, পঢ়াশালি আৰু অন্যান্য ৰাজহুৱা স্থানত সঁচৰাচৰ পৰিলক্ষিত হয়। বেছিভাগ সময়তে প্ৰজন্মভেদক এক সমাজিক সমস্যাৰূপে গণ্য কৰা হয়। কিন্তু মোৰ দৃষ্টিত ইয়াক সমস্যা নহয়, এক স্বাভাৱিক প্ৰক্ৰিয়াৰূপে গ্ৰহণ কৰা উচিত। যিদৰে বিজ্ঞান সমাজত যুক্তিপূৰ্ণ আলোচনাৰে সকলো দ্বিমত মষিমূৰ কৰি নতুন তত্ত্ব আবিস্কাৰেৰে সমাজৰ প্ৰগতিত অৰিহণা আগবঢ়োৱা হৈছে সেইদৰে আমাৰ দৈনন্দিন কৰ্মসংস্কৃতিটো এনে যুক্তিবাদৰ সহায়েৰে নতুন জ্ঞানৰ



Scanned by CamScanner

সৃষ্টিৰে আমি সমাজখন আগবঢ়াই লৈ যাব পাৰো। এনে যুক্তিবাদ বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মাজত হ'ব পাৰে, অভিভাৱক আৰু শিক্ষকৰ মাজত হ'ব পাৰে নাইবা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজটো হ'ব পাৰে।

উদাহৰণ স্বৰূপে, বিদ্যালয় এখনৰ পৰিচালনা সমিতি আৰু শিক্ষকৰ মাজত হোৱা আলোচনা প্ৰক্ৰিয়াৰ দ্বাৰা এজন শিক্ষকক নিযুক্তি দিয়া হয়। কিন্তু সেই প্ৰক্ৰিয়াত কেতিয়াও ছাত্ৰ-চাত্ৰীক জড়িত কৰোৱা নহয়। পিছত পৰীক্ষাৰ নম্বৰৰ ভিত্তিত কেৱল ছাত্ৰ-ছাত্ৰীকে দোষাৰূপ কৰা হয়। এনে নহয় যে আমাৰ শিক্ষকসকলে নিজৰ ছাত্ৰ জীৱনত প্ৰতিটো বিষয়তে এশ শতাংশ নম্বৰেৰে পাছ কৰি আহিছিল। তাতকৈ যদি সময়ে সময়ে ছাত্ৰ-ছাত্ৰীৰ পৰা তেওঁলোকক পঢ়োৱা বিষয় শিক্ষকজনৰ ওপৰত মতামত লোৱাৰ ব্যৱস্থা (Students Feedback System) কৰা যায় তেনেহ'লে ছাত্ৰ-ছাত্ৰীসকল বেছি উপকৃত হ'ব পাৰে। এই ক্ষেত্ৰত প্ৰাক্তন ছাত্ৰ ভাৰতী গঠন প্ৰাসংগিক হৈ পৰে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ছাত্ৰ জীৱনত পোৱা সমস্যাসমূহৰ অভিজ্ঞতাৰে নতুন প্ৰজন্মক আগবঢ়াই নিবলৈ সক্ষম হ'ব। সেইক্ষেত্ৰত উপযুক্ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী দুই এজনক নতুন শিক্ষক নিযুক্তি প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা উচিত। কোনো কোনো শিক্ষকে এইবুলি মন্তব্য কৰে যে, 'আমি সিহঁতক পঢ়োৱাই ডাঙৰ কৰিলোঁ আৰু এতিয়া আকৌ আমাক উপদেশ দিবলৈ আহে'। মোৰ মতে এইবোৰ মন্তব্য তেওঁলোকৰ সংকীৰ্ণ মানসিকতাৰ পৰিচয়ৰ বাদে আন একো নহয়।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগত বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ-আলোচনাৰ যোগেদি প্ৰজন্ম-ভেদৰ কথা অধিক ভালদৰে বুজি পাব পাৰি। সদ্য-প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগত বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ বয়সৰ পাৰ্থক্য কম হোৱাৰ বাবে বহুখিনি কথা তেওঁলোকে নিজৰ অগ্ৰজৰ আগত মুকলিকৈ কব পাৰে যিটো হয়টো এজন শিক্ষকৰ আগত প্ৰকাশ কৰাটো তেওঁলোকৰ বাবে সিমান সম্ভৱ নহয়। নিশ্চিতভাৱে ইয়াৰ বাবে বিদ্যালয় কৰ্তৃপক্ষৰ সহযোগিতা লাগিব যাতে এনে অনুষ্ঠানৰ বাবে তেওঁলোকে অনুমতি আৰু সময়-সুবিধা প্ৰদান কৰে।

অসমৰ গৌৰৱ হিমা দাসৰ দৰে আন্তঃৰাষ্ট্ৰীয় খেলুৱৈৰ সমকক্ষ খেলুৱৈ আমাৰ বিদ্যালয়টো আছিল (আছে) কিন্তু বহুমূখী শিক্ষাৰ অভাৱত পঙ্কজ পৰদলৈৰ দৰে ছাত্ৰই ক্ৰীড়াক্ষেত্ৰত নিজৰ কেৰিয়াৰ গঢ়াৰ পৰা বঞ্চিত হ'ব লগীয়া হৈছিল। আজিৰ ছাত্ৰ-ছাত্ৰীয় কেৱল পঢ়া-শুনাতে নহয় কলা, ক্ৰীড়া, সাংস্কৃতিক ইত্যাদিৰ দিশটো সমানে আগবাঢ়িব বিচাৰে। গতিকে আমাৰ প্ৰজন্মই কেৱল পৰীক্ষাৰ নম্বৰকে সফল জীৱনৰ মাপকাঠি বুলি গণ্য নকৰে। এইক্ষেত্ৰটো প্ৰাক্তন ছাত্ৰ ভাৰতীৰ লগত আলোচনাত মিলিত হৈ বিদ্যালয় পৰিচালনা সমিতিয়ে এক বহুমূখী শিক্ষাৰ পৰিৱেশ গঠন কৰিব পাৰে।

নিশ্চিতৰূপে প্ৰথম উদাহৰণত কেৱাৰ দৰে দ্বিমত থকাৰ পিছতো মহামতি আইনষ্টাইনৰ সমাদৰ যিদৰে বিজ্ঞান সমাজত কমি যোৱা নাই, সেইদৰে আমাৰ শৈশৱক গঢ় দিয়া শিক্ষকসকলৰ প্ৰতিও আমাৰ সন্মান আৰু শ্ৰদ্ধা কমি যোৱা নাই আৰু কেতিয়াও নাযায়। কিয়নো আমাৰ বাবে আমাৰ শিক্ষক



Scanned by CamScanner

আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত থকা প্ৰজন্ম-ভেদ কোনো সমস্যা নহয় ই এক আলোচনাৰ বিষয়হে। মুঠতে প্ৰজন্ম-ভেদৰ কথা যুক্তিৰে আলোচনা কৰি নতুন শিক্ষানীতি প্ৰৱৰ্তনেৰে যুৱ-প্ৰজন্মক আগবঢ়াই নিবলৈ আমি প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক সকলোৱে একেলগে সংকল্পবদ্ধ হোৱা উচিত।

মই সপোন দেখি ভাল পাওঁ। মোৰ সপোনত আমাৰ বিদ্যালয়খনিয়ে অহা ২৫ বছৰত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিদ্যালয়ৰূপে ইতিমধ্যে স্বীকৃতি পাইছে য'ত অন্যান্য প্ৰদেশ পৰাও ছাত্ৰ-ছাত্ৰী আহি শিক্ষালাভ কৰিছে। মোৰ এই সপোন যদি আপোনালোকৰো সপোন বুলি ভাৱে, তেন্তে আঁহক ইয়াক বাস্তৱৰূপ দিবলৈ সকলোৱে মিলি অহা ২৫ বছৰৰ বাবে পৰিকল্পনা হাতত লওঁ।

বিগত ২৫ বছৰে সেৱা আগবঢ়াই অহা বিদ্যালয়ৰ সমূহ আচাৰ্য-আচাৰ্যাৰ লগতে অভিভাৱক-অভিভাৱিকাসকললৈ এই লেখনিৰ জৰিয়তে কৃতজ্ঞতা আৰু ৰূপালী-জয়ন্তীৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ। আচাৰ্যসকলৰ কষ্টৰ অবিহনে হয়টো আমাৰ বিদ্যালয়ে আজি এই ঐতিহাসিক ক্ষণৰ সাক্ষী হ'ব নোৱাৰিলেহেঁতেন। তদুপৰি আজিৰ প্ৰতিযোগিতাৰ যুগৰত আমাৰ বিদ্যালয়ত ইমান বেছি সা-সুবিধা আৰু আন্তঃগাঁঠনি নথকা স্বত্তেও অভিভাৱকসকলে আমাৰ ওপৰত বিশ্বাস ৰাখিছে আৰু ভৱিষ্যতেও এই বিশ্বাস অটুট থাকিব বুলি আশা ৰাখিলোঁ।

শেষত মোৰ কঠিন শব্দৰ বাবে সকলোৱে ওচৰত আকৌ এবাৰ ক্ষমা বিচাৰিলোঁ।



# (প্ৰবন্ধ)

# মূকাভিনয় এক অন্যতম পৰিচয়

*দেৱীকা বসুমতাৰী*
প্ৰাক্তন ছাত্ৰী, ২০১৬ বৰ্ষ

মূকাভিনয় বৰ্তমান সমাজৰ এক অন্যতম বিকাশশীল বিষয়। যি বিষয়ে সমাজত এক নতুন চিন্তা ধাৰাৰ সোঁত প্ৰদান কৰে। 'মূক' শব্দটোৰ অৰ্থ হৈছে বোবা। দৈনন্দিন জীৱনত লক্ষ্য কৰিলে বোবা কন্ঠৰ পৰা কিছুমান অস্পষ্ট শব্দ কাণত পৰে। সেই শব্দসমূহ যদিও বুজাব অসুবিধা হয় তথাপি অংগ সঞ্চালনৰ জৰিয়তে ইয়াক বুজিব পৰা যায়। মুকাভিনয়ত অংগ সঞ্জালনৰ জৰিয়তে কৰা হয়। মূকাভিনয়ৰ জন্ম হৈছিল সৃষ্টিৰ আদিতে। মূকাভিনয়ত তিনিটা বিষয় অধিক ভাবে ব্যৱহাৰ কৰা হয়। সেই বিষয় তিনিটা ক্ৰমে ঃ

১। অকাৰ
২। ওজন
৩। আকৃতি

মুকাভিনয়ৰ পোচাক সাধাৰণতে কলা ৰঙৰ হয়। মূকাভিনয়ৰ শিল্পীসকলে একে ৰঙৰ পোচাক ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। হাতত আৰু ভৰিত বগা মোজা পিন্ধা হয়।

মূকাভিনয়ৰ ৰূপসজ্জা অতি সৰল। মূখাভিনয়ৰ শিল্পীসকলে উঠত কলা ৰং আৰু চকুত কাজল সানে, কিন্তু মুখমণ্ডলত বগা ৰং লগোৱা হয়।

মূকাভিনয়ৰ ক্ষেত্ৰত সংগীত প্ৰয়োগ কৰা হয় আৰু সেই সংগীত মুখাভিনয়ৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি ব্যৱহাৰ কৰা হয়।

মুকাভিনয় যদিও বৰ্তমান সমাজত অতিকৈ প্ৰচলিত তথাপিও ইয়াৰ প্ৰচাৰ ব্যাপক হাৰত গঢ়ি উঠা দেখা পোৱা পৰিলক্ষিত নহয়। চাৰিওফালে হত্যা-হিংসা, স্বাৰ্থপৰতাই ক্ৰমান্বয়ে গ্ৰাস কৰি পেলাব বিচাৰিছে যদিও তাৰ মাজতো এছাম নিস্বাৰ্থ মানুহ সমাজত আছে কাৰণেই সমাজখন ব্ৰতী আছে আৰু থাকিবও। গতিকে নৱপ্ৰজন্মই যাতে ইয়াক আগবঢ়াই নিয়ে তাকেই কামনা কৰিছো। ভাৰতীয় বৃহৎ গণতান্ত্রিক ব্যৱস্থাৰ সফলতা বিফলতাবোৰক যুক্তি-যুক্ততাৰে, বিশ্লেষণাত্মক দৃষ্টিভংগীৰে, সুক্ষ্মভাৱে, উপস্থাপন কৰা এই গ্ৰন্থখনি সকলো ভাৰতীয়ৰ বাবেই পাঠনীয় বিষয়।





Scanned by CamScanner

# এৰি এহা সোণসেৰীয়া মোৰ নিকেটনলৈ এভুমুকি

*শ্ৰী ঝৰ্ণাৰাণী কাকতি*
প্ৰাক্তন ছাত্ৰী, ২০১৮ বৰ্ষ

২০০৭ চনৰ বৃহস্পতিবাৰে এতি শুভক্ষণত পেহীৰ হাতত ধৰি মোৰ মৰমৰ নিকেতনত উপস্থিত হৈছিলোঁ। মনত আছিল আহিবালগা শংকা। কিন্তু বিদ্যালয়ৰ চাৰিবেৰৰ মাজত আবদ্ধ হৈ বিচাৰি পাইছিলো আমাৰ শ্ৰদ্ধাৰ পিতৃ-মাতৃ সদৃশ আমাৰ শিক্ষাগুৰুসকলৰ মৰমৰ উমাল পৰশ। এদিন দুদিনকৈ এবছৰ দুবছৰকৈ আগবাঢ়ি গৈছিলোঁ শিক্ষাগুৰুসকলৰ মৰম আৰু শাসনৰ মাজেৰে। বহু নজনা কথা শিকিছিলো, লগ পাইছিলো বিভিন্ন প্ৰতিভাৰে বিভূষিত লগৰ সহপাঠী সকলক। তেওঁলোকৰ মৰমৰ এনাজৰীডালক মই চিৰদিন মোৰ হৃদয়ৰ মণিকোঠাত আৱদ্ধ কৰি ৰিখিছো।

আৰম্ভ হৈছিল মিঠা দুষ্টালিবোৰ। শিক্ষাগুৰুসকলৰ চেকনিৰ কোব খাইও কিবা যেন অনামী আনন্দ লাভ কৰিছিলো। এই শংকৰদেৱ বিদ্যা নিকেতনতে আৰম্ভ হৈছিল মোৰ জীৱনৰ বুনিয়াদ। কেৱল কিতাপৰ পৃষ্ঠাতে আমাক আবদ্ধ ৰখা নাছিল। চৌপাশৰ পৃথিৱীখনৰ বিষয়ে আমাক জানিবৈল প্ৰেৰণা দিছিল। বিভিন্ন প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰি কেতিয়াবা জয়ী হৈছিলো আৰু কেতিয়াবা বিফল হৈছিলো। সেই আকৃতকাৰ্যতাই মোক সফলতাৰ সঠিক ঠিকনা বিচৰাত সহায়হে কৰিছিল।

স্কুলৰ কিছুমান স্মৃতিয়ে যেন মোক এতিয়াও বৰকৈ আমনি কৰে। সৰু দুটামান মোৰ স্কুলীয়া দিনৰ হাঁহি উঠা ঘটনা এনেধৰণৰ - 'মুকুল শ্ৰেণীত আছিলো কোনেও কাকো চিনি নাপাও ভালদৰে। ক্লাছত এটা লৰা ধুনীয়াকৈ শুই আছিল। মই ফুটিতে তাক এদাল লোহাৰৰ স্কেলেৰে পিটি থৈ আহিলো, মোক দেখি লগৰ আৰু কেইজনীমানেও পিটি আহিল। বেচেৰাই বৰ বেয়াকৈ পিতন খালে। ভৱা নাচিলো আচাৰ্যই যে গম পাব। কিন্তু হিৰন্য আচাৰ্য্যই গম পালে আৰু আমাক পিটি ভৰিত চিন বহাই দিলে। সেই চিনকেইটা মোৰ এসপ্তাহমান আছিল।

আনটো ঘটনা - অষ্টম শ্ৰেণীত আছিলো। টিফিনত নিছিলো কল। কলটো খালো কিন্তু কত বাকলি পেলালো মনত নাই। প্ৰধান আচাৰ্যই নাজানো কেনেকৈ দেখিলে বাকলিটো ক্লাচটে পৰি আছিল। সোমাই আহি শুধিলে কোনে পেলালে ? মইয়ো পাহৰিলো মই যে কল খাইছিলো। কোনেও একো উত্তৰ নিদিয়াত গোটেই ক্লাচটোকে আঠু কঢ়ালে। পিছত আচাৰ্য্যৰ হাতত বাকলিটো দেখিহে মনত পৰিছিল মই যে কল খাইছিলো। সেইটো যে মই পেলাইছিলো মই আজিলৈকে কাকো নকলো। আনকি মোৰ প্ৰিয় বান্ধৱী পূজা, চুমকী, জ্যোতিস্মিতাকো। কোৱা হয় মই যে কিমান গালি শুনিলো হয় ঠিক নাই।

প্ৰণৱ আচাৰ্যৰ ক্লাচটো মই নপাহৰো। আচাৰ্য্যৰ



Scanned by CamScanner


ক্লাচত যেন মোৰ দিনটোৰ ভাগৰ এক পলকতে নাইকিয়া হৈ যায়। হাঁহি ফুৰ্তিৰে ক্লাচটো কেনেকৈ পাৰ হৈ যায় গমেই পোৱা নাছিলো।

তাৰ বহুতো কথা আছে স্কুলৰ লগত জড়িত যিবোৰ মই কৈ শেষ কৰিব নোৱাৰো।

এনেকৈয়ে তিতা মিঠা সকলো দিন পাৰ কৰি ২০১৮ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কনচেন্ট কনিষ্ঠ মহাবিদ্যালয়ত নামভৰ্তিত কৰিলোঁ। এৰি অহা মোৰ সোণালী শৈশৱ আজিও মোক হাতবাউলি দি মাতে। আজি আমি আমাৰ নিকেতনৰ ২৫ বছৰ হ'লহি। এই ২৫ টা বছৰে আমাৰ নিকেতনে বহু জ্ঞানৰ সম্ভাৰ দি থৈ গল। ভৱিষ্যতৰ দিনবোৰত এই নিকেতনে সৃষ্টি কৰিব দেশৰ ভৱিষ্যতৰ নতুন প্ৰজন্মক। এই প্ৰজন্মই সিঁচি থৈ যাব সৃষ্টিৰ পথাৰত ৰজ্ঞানৰ কঠীয়া। যি গছি বন্তিয়ে আন্ধাৰ নাশি ধৰালৈ আনিব পোহৰৰ জ্যিতিমালা। জ্ঞানৰ জোনাকী বাটে আমি অগ্ৰসৰ হৈ আমাৰ নিকেতনক বিশ্বদৰবাৰ চিনাকী কৰাই দিম।

শংকৰদেৱ বিদ্যা নিকেতন, কঠিয়াতলী লগ নিকেতনৰ আচাৰ্য্য-আচাৰ্য্যা আৰু নিকেতনৰ অনুষ্ঠা সমূহৰ লগত কটোৱা ১১ বছ মোৰ জীৱনৰ এ অংশ। য'ত আছে তিতা মিঠা বহুতো স্মৃতি। শেষ এষাৰি কবিতাৰে এই লেখা সামৰিছোঁ -

'একোজন পুৰুষৰ একো আঙোঁৰত
কৰ্মযুগ আগবাঢ়ি যায়
একোজন পুৰুষৰ একোটা ঠেলায়
বহুকাল সংসাৰ চলায়।'
(কবি ঃ দুৰ্গেশ্বৰ শৰ্মা)





Scanned by CamScanner

# জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আদিলীনা আৰু বটদ্ৰৱা থানৰ ইতিবৃত্ত অথবা কিম্বদন্তীৰ দৃষ্টিৰে বটদ্ৰৱা

*শ্ৰী দীপমনি বৰা*
প্ৰাক্তন ছাত্ৰী ২০১৫ বৰ্ষ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদ্যলীলাৰে মণ্ডিত বৰদোৱাৰ পুৰণি নাম 'বটদ্ৰৱা' এই বটদ্ৰৱা ঠাইখনৰ গুণৰ বিষয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে লিখিছে যে 'বটদ্ৰৱা নামে গ্ৰাম, শস্যে মস্যে অনুপম, লৌহিত্যৰ জলে অনুকুল।' শংকৰদেৱৰ আবিৰ্ভাৱ হোৱাৰ পৰা আজিৰ কালছোৱাৰ ভিতৰত কিমান প্ৰাকৃতিক, ৰাজনৈতিক দুৰ্যোগ, কিমান ধুমুহা-ঢেৰেকনি পাৰ হৈ গ'ল, বটদ্ৰৱাৰ ওপৰেদি তথাপি তাৰ মাজতে শংকৰী সাহিত্য, কলা-কৃষ্টি সত্ৰীয়া সংস্কৃতি জন্মকালৰ পৰা ৰক্ষা কৰি আৰু শংকৰ-শিলিখা, গুৰুজনাৰ পদশিলা, দৌল আৰু আকাশী গঙ্গাক বুকুত লৈ বৰদোৱা আজিও ধান্য হৈ আছে।

বটদ্ৰৱা নামটিৰ আৰু তাত অৱস্থিত আকাশীগংগাৰ উৎপত্তিৰ বিষয়ে এটি সুন্দৰ বিশ্বদন্তী আছে। এই কিম্বদন্তীয়ে একালে যেনেকৈ 'বটদ্ৰৱাৰ মহিমা' ঘোষণা কৰিছে, আনফালে তেনেকৈ মহাপুৰুষ শংকৰৰ ঐশী শক্তি প্ৰচাৰত সহায় কৰিছে। কিম্বদন্তীটো এনেধৰণৰ - ভগৱান বিষ্ণুৰ বৰাহ অৱতাৰৰ কাহিনী। বৰাহৰূপী বিষ্ণুৱে পাতালত প্ৰৱল প্ৰতাপী দৈত্য হিৰণ্যাক্ষক বধ কৰি পৃথিৱী উদ্ধাৰ কৰিছে। তাৰ পিচত তেওঁ পৃথিৱীৰ ওপৰলৈ আহি বৰাহ বা গাহৰীৰ স্বভাৱ অনুযায়ী এডৰা পবিত্ৰ ভূমিত লেটি ললে কিন্তু এনে কৰোঁতে তেওঁৰ শৰীৰৰ পৰা এডাল নোম সৰি পৰি লেটি লোৱা ঠাইডোখৰ দ হৈ গ'ল। বিষ্ণুৰ নোম অক্ষয় অব্যয়। গতিকে গাৰ পৰা সৰি পৰিলেও সি নষ্ট নহৈ কালক্ৰমত এজোপা প্ৰকাণ্ড বটবৃক্ষত পৰিণত হ'ল।

ইয়াৰ পিচত বহু হাজাৰ বছৰ কালৰ বুকুত মাৰ গ'ল। সত্য-ত্ৰেতা যুগৰ অন্ত পৰিল। দ্বাপৰ যুগৰো অৰ্দ্ধেক পাৰ হৈ গ'ল। বিষ্ণুৱে ইতিমধ্যে প্ৰায়বোৰ অৱতাৰ ধাৰণ কৰা হল। শেষত তেওঁ কৃষ্ণ ৰূপে দ্বাৰকাৰ সিংহাসনত অদিষ্ঠিত হৈছে। তেনে সময়তে এটি ঘটনা তেতিয়াৰ প্ৰাচীন কামৰূপৰ অন্তৰ্গত কুণ্ডিল মগৰৰ ৰাজকন্যা ৰুক্মিণীয়ে কৰিছিল। যথা সময়ত ৰুক্মিণী সমন্বয় পাতিলে, কিন্তু কৃষ্ণ অবিহনে স্বয়ম্বৰৰ মূল্য নাইই বুলি জানি ৰুক্মিণীয়ে বেদনিধি নামে বামুণ এজনক শ্ৰীকৃষ্ণৰ ওচৰলৈ পঠালে। বামুন জনৰ পৰা ৰুক্মিণী মনোভাৱ জানি শ্ৰীকৃষ্ণই বাটত বটগছ দেখি লগে লগে পূৰ্ব স্মৃতি জাগি উঠিল।

ৰুক্মিণীৰ অনুৰোধ মৰ্মে বটজোপাৰ জলতেই সুশীল দুয়ো ল'বলৈ দুয়ো ৰথৰ পৰা নামিলে। কৃষ্ণই শাৰংগ ধনুখন বটজোপাৰ গাত আওজাই থৈ ৰুক্মিণীৰ লগত কথা পাতিবলৈ ধৰিলে। এনেতে এটি ঘটনা ঘটিল। বটজোপাৰ নিচেই কাষেদি জান এটা বৈ গৈছিল। ৰুক্মিণী তামোল খোৱাত পাকৈত। কৃষ্ণক




Scanned by CamScanner

তামোল এখন খুৱাই আৰু নিজেও এখন খাই লব পাৰিলেহে কথা জমিব বুলি জোলোঙাৰ পৰা তামোল উলিয়াই কাটিবলৈ লওতে হঠাৎ চূণৰ টেমাতো জানত পৰিল। ৰুক্মিণীয়ে টেমাতো পৰিল বুলি চিঞৰাত কৃষ্ণই পানীৰ ওচৰলৈ দৌৰি গল। দৌৰি যাওঁতে কৃষ্ণৰ হাত লাগি আওজাই থোৱা ধনুখন মাটিত বাগৰি পৰিল। উল্লেখযোগ্যয়ে যি ঠাইত ধনুখন পৰিল সেই ঠাইত পূৰ্বে বহাৰ-বিষ্ণুৱে লেটি লৈছিল আৰু ঠাইটুকুৰা দ হৈ আছিল। এতিয়া ধনুখন পৰাত ঠাইখিনি ধনুৰ আকৃতিৰ দৰে বহি গ'ল। আৰু কৃষ্ণই ৰুক্মিণীৰ সৈতে জানটোৰ বিচাৰি বিচাৰি টেমীতো উলিয়াই আনিলে। তেতিয়াৰ পৰাই জানটোৰ নাম হল টেম্বুৰানী।

বটদ্ৰৱা থানত উত্তৰে অৱস্থিত আকাশীগংগা আজিও পদুমৰ ফুল-পাতৰ সৌন্দৰ্যৰে ভৰপূৰ। আকাশীগংগা আজিও পদুমৰ ফুল পাতৰ সৌন্দৰ্যৰে ভৰপূৰ। আকাশী গংগাই বটদ্ৰৱাৰ লগতে নিজৰ গৌৰৱময় অতীতটোৰ স্মৃতি যাউতিযুগীয়াকৈ ৰাখিছে। সেই কাৰণে বৰদোৱাৰ গুণ গৰিমাৰ কথা শুনিয়েই বৈষ্ণৱ কবিয়ে দ্বিতীয় বৈকুণ্ঠ বুলি বৰদোৱাৰ গুণগান গাইছে।

জয় জয় বটদ্ৰৱা বৈকুণ্ঠ দুজয়।
সেহি স্থানে নিজ গুৰু ভৈলন্ত উদয়।।

চৰিত পুথিত টেম্বুৰানী জানৰো উল্লেখ আছে এই জানটো পিছত কেনেকৈ ৰাধিকা শান্তিৰ নামত শান্তিজান বুলি প্ৰখ্যাত হ'ল। এই বিষয়ে চৰিত পুথিত সুন্দৰ আখ্যান আছে। শান্তিজানৰ চিন বৰদোৱাত এতিয়াও দেখা যায়।





Scanned by CamScanner

# শিক্ষাৰ্থীৰ জীৱনত শিক্ষাগুৰুৰ অৱদান


*শ্ৰী মানৱত্ৰ ৰৰী*
প্ৰাক্তন ছাত্ৰ, ২০১৬ বৰ্ষ।

শিক্ষক এডাল মমবাতিৰ দৰে, যি নিজেই জ্বলি আনাক পোহৰ দিয়ে, বাক্যফাঁকিৰ দ্বাৰা মহান শিক্ষাবিদ ড০ সৰ্বপল্লীৰাধাকৃষ্ণণ দেৱে শিক্ষাৰ্থীৰ প্ৰতি থকা শিক্ষাগুৰুৰ মহান দায়িত্ব আৰু এই দায়িত্বৰ আঁৰত লুকাই থকা অজস্ৰ ত্যাগ আৰু অপৰিসীম কষ্টৰ কথা প্ৰতিফলন ঘটাইছে। এডাল মমবাতি যিদৰে গলি নিঃশেষ হৈ যায় কিন্তু মমবাতিডালে আনৰ বাবেপোহৰ দিয়ে আৰু সেই পোহৰতে কৰ্মৰ উৎসাহ পোৱা যায়, ঠিক একেদৰে শিক্ষাগুৰুসকলেও অলেখ কষ্ট মূৰপাতি লৈ শিক্ষাৰ্থীৰ জীৱন আলোকেৰে আলোকিত কৰাত এক দৃঢ় ভূমিকা লয়। শিক্ষাগুৰুসকলেই একমাত্ৰ উৎস যিয়ে শিক্ষাৰ্থীসকলক জ্ঞানৰ পাঠ প্ৰদান কৰি পিতৃ-মাতৃ তথা সমাজখনৰ গৌৰৱবৃদ্ধি কৰাত অবিহণা আগবঢ়াই। এখন দেশ ভৱিষ্যত বহুপৰিমাণে নাগৰিকসকলৰ ওপৰত নিৰ্ভৰ কৰে আৰু নাগৰিকসকলৰ বিকাশ নিৰ্ভৰ কৰে দেশৰ শিক্ষাব্যৱস্থাৰ ওপৰত। গতিকে সম্পূৰ্ণৰূপে শিক্ষাগুৰুসকলেই দেশৰ ভৱিষ্যত গঢ়ি তোলাত এক উল্লেখযোগ্য ভূমিকা লয়। পিতৃমাতৃয়ে এতি শিশুক জন্ম দিয়ে আৰু ভৰণ পোষণৰ সমস্ত দায়িত্ব লয় কিন্তু শিক্ষাগুৰুসকলে শিশুটিক সু-শিক্ষাৰ দ্বাৰা শিক্ষিত নাগৰিক হিচাপে পৰিগণিত কৰাৰ গুৰুদায়িত্ব পালন কৰে। শিক্ষকসকলে শিক্ষাৰ্থীসকলক প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয়ৰ পৰ্য্যায়লৈকে শিক্ষাদান কৰি থাকে। শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ মাজৰ যি মধুৰ সম্পৰ্ক এইটো আৰম্ভ হয় প্ৰাথমিক পৰ্যায়ৰ পৰা। প্ৰাথমিক পৰ্যায়ত যেতিয়া শিক্ষকসকলে শিক্ষাদান কৰে কাৰণ সেই সময়ত এজন শিক্ষাৰ্থী সম্পূৰ্ণৰূপে জ্ঞানৰ দিশটোত অজ্ঞ হৈ থাকে। কিন্তু শিক্ষকসকলে বহু কষ্ট স্বীকাৰ কৰি তেওঁলোকক দুহাতত ধৰি আগুৱাই লৈ যায়। এনেদৰে শিক্ষকসকলৰ অবিৰাম প্ৰচেষ্টাৰ ফলত শিক্ষাৰ্থীসকল এখোজ এখোজকৈ আগুৱাই গৈ নিজকে সফল ছাত্ৰ-ছাত্ৰী হিচাপে চিনাকী দিব পাৰে। শিক্ষকসকলে পাঠ্যক্ৰমৰ বহিৰ্ভূত বিভিন্ন বিষয় তথা দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা বহুতো কথা বিস্তৃত জ্ঞান প্ৰদান কৰে। ইয়াৰ উপৰিও শিক্ষাগুৰুসকলে শিক্ষাৰ্থীসকলৰ মনত নৈতিক মূল্যবোধৰ ভাৱ জাগ্ৰত কৰি দিয়ে যাৰ ফলত শিক্ষাৰ্থীসকলৰ মনত নৈতিক মূল্যবোধৰ ভাৱ জাগ্ৰত কৰি দিয়ে যাৰ ফলত শিক্ষাৰ্থীসকলে উচিত অনুচিত কথাবোৰ বিশ্লেষণ কৰি সঠিক বিবেচনা কৰিব পাৰে। শিক্ষকসকলে পঢ়াশুনাৰ প্ৰতি মন নথকা কিছুমান শিক্ষাৰ্থীকো সজ উপদেশ প্ৰদান কৰি জীৱনত আগুৱাই যাবলৈ দিয়ে। শিক্ষাগুৰুসকলে এনে শিক্ষাৰ্থীসকলৰ পঢ়াশুনাৰ প্ৰতি চকু ৰখাৰ উপৰিও অন্যান্য ভাল কামৰ প্ৰতিও উদ্যম যোগায়। দেশৰ এগৰাকী সুনাগৰিক হিচাপে যিখিনি গুণ এজন শিক্ষাৰ্থীৰ মাজত থাকিব লাগে তেনে গুণসমূহো শিক্ষাগুৰুসকলে শিক্ষাৰ্থীসকলৰ সমাজক বিকশাই তোলাত গুৰুত্বপূৰ্ণ ভূমিকা লয়। শিক্ষাগুৰু সকলে অপৰিসীম কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি শিক্ষাৰ্থীসকলক শিক্ষাদান আগবঢ়াই সেয়েহে তেওঁলোকৰ উপদেশ পালন কৰি চলাটোৱে শিক্ষাৰ্থীসকলৰ প্ৰধান কৰ্তব্য। শিক্ষাগুৰু অবিহনে শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া অসম্পৰ্ণ আৰু তেওঁলোকৰ আশীৰ্বাদ



Scanned by CamScanner

অবিহেনেও শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া সফল হৈ নুঠে। সেয়েহে শিক্ষাগুৰুৰ শুভাশীষ আৰু আশীৰ্বাদ শিৰত লৈ আগবাঢ়ি যোৱাটো নিতান্তই প্ৰয়োজনীয়। শিক্ষাৰ্থীৰ শিক্ষাগ্ৰহণৰ সফলতা বহু পৰিমাণে শিক্ষাগুৰুসকলৰ ব্যক্তিত্বৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে এজন শিক্ষকে নিজকে এজন সুদক্ষ, নিকা ভাবমূৰ্তি থকা এজন সু নাগৰিক হিচাপে গঢ়ি তুলিব লাগে যাতে শিক্ষাৰ্থীসকলে তেওঁৰ পদাংক অনুসৰণ কৰি তেনেভাৱে প্ৰতিষ্ঠিত হব পাৰে। শিক্ষাগুৰুসকল কেৱল মাত্ৰ শিক্ষাৰ্থীসকলৰ বাবেই প্ৰেৰণাৰ উৎস নহয়, এখন সমাজৰ বাবেও তেওঁলোক একো একোজন সন্মানীয় ব্যক্তি যাৰ সমাজত এখন উচ্চ আসন আছে। শিক্ষক আৰু শিক্ষাৰ্থী সকলৰ মাজত থকা সম্পৰ্কটো অনাদি অনন্তকালৰ বাবে বন্ধুত্বপূৰ্ণ, সন্মানীয় আৰু সু-দৃঢ় হৈ থাকক। মোৰ এই লিখনিৰ জৰিয়তে বাৰবছৰীয়া স্কুলীয়া জীৱনৰ শিক্ষাগুৰুসকললৈ মই আন্তৰিক শ্ৰদ্ধা নিৱেদিছোঁ। জীৱনৰ বাৰটা বসন্তৰ শিক্ষাজীৱনত সফলভাৱে আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত পাঠ্যক্ৰমৰ পাঠৰ উপৰিও জাতীয় জীৱনত প্ৰয়োজন হোৱা বহুতো কথাৰ বি বিস্তৃত জ্ঞান সন্মানীয় শিক্ষাগুৰুসকলে মোক প্ৰদান কৰিলে তাৰ কাৰণে তেওঁলোকৰ ওচৰত মই সদায় চিৰকৃতজ্ঞ হৈ ৰ'ম।





Scanned by CamScanner

# FROM ZERO TO HERO

*Kaustav Borah*
2016, Betch

One day a famous mathematician called all the numbers for a meeting. Surprisingle Zero was absent. They searched and searched and finally found him in a bus. Numbers 1 to 9 caught hold of zero and brought him to the meeting.

"Why were you hidding Zero ?" asked the mathematician.

"Sir, I am only Zero, Nobody values me. I was so sad that I hid myself," replied Zero.

The mathematician thought for a while and asked Number 1 to stand in front of the group.


"What is his value ?" asked the mathematician. "One, came the reply. Then he made Zero stand to the right of one asked " What is the value of this number ?"

"Ten, said all the numbers. He made many Zeroes stand in Similar waw. Thus increasing the value of one to hundred, thousand, ten thousand,and a Lakh !

"Now you see Zero. Number one was not as valuable. But when you stood next to one you made its value increase to ten, thousand, and a Lakh. We all have a value. You do your part and you bacame valuable."

From that day zero did not think that he was useless. He thought. " If I do my little part to the best of my ability. I am doing something worth while. Besides when I join hands with others, the value of each of us incrases." We work better when we work together.

Gandhiji did not get India independent all by himself. Thousands of people joined him to make freedom possible.





Scanned by CamScanner

# প্লাষ্টিক প্ৰদূষণ প্ৰতিৰোধ

*শ্ৰী ধনঞ্জয় আমচ*
প্ৰাক্তন ছাত্ৰ, ১৯৯৯ বৰ্ষ

প্ৰতিবছৰে বিশ্বব্যাপী জনসচেতনতাৰ জৰিয়তে পৰিবেশ দিৱস পালন কৰা হয়। ১৯৭৩ চনৰ পৰা বৰ্তমানলৈকে প্ৰতিবছৰে ৫ জুনৰ দিনা এই দিৱস পালন কৰা হৈ আছে। একোটা উদ্দেশ্যৰে গোটেই বিশ্বই পৰিৱেশ সুৰক্ষাৰ লগত জড়িত শ্লোগান নিৰ্ধাৰিত কৰে। সেই একে ধাৰাৰে সকলোৰে মিলি "প্লাষ্টিক প্ৰদূষণ প্ৰতিৰোধ কৰক"। পৰিচালিত দেশৰ দায়িত্বত আছে আমাৰ ভাৰতবৰ্ষ। আমাৰ দেশৰ প্লাষ্টিকৰ ব্যৱহাৰৰ উচ্চ হাৰেই উচ্চ হাৰেই এই দায়িত্ব আকৰ্ষণ কৰিছে। সেয়ে, এই সুযোগতে প্লাষ্টিকৰ প্ৰদূষণ প্ৰতিৰোধ কৰাত ভাৰতবৰ্ষ এক নিদৰ্শন হিচাপে পৰিগণিত হোৱাৰ প্ৰয়োজন আছে।

আমাৰ দৈনন্দিন জীৱনৰ কাৰ্যকলাপত এক অভাৱনীয় হাৰত প্লাষ্টিক ব্যৱহাৰ কৰি থকা হৈছে। বিকল্প ব্যৱস্থা আছে যদিও সহজতে কম মূল্যৰে উপলব্ধ প্লাষ্টিক ব্যৱহাৰ কৰিবলৈ আমি আগ্ৰহী। এবাৰ ব্যৱহাৰ কৰি পেলাই দিয়া বিধৰ প্লাষ্টিকৰ বেগ বা আন সামগ্ৰীৰ ব্যৱহাৰেই বেছি ক্ষতি কৰিছে আমাৰ চৌপাশৰ পৰিৱেশ - বায়ু, পানী, মাটি। প্লাষ্টিকৰ বেগ ব্যৱহাৰ কৰাৰ পিছত য'তে ত'তে পেলাই দিয়া বাবেই সমস্যা সৃষ্টি হৈছে। প্লাষ্টিকৰ উপযুক্ত ব্যৱহাৰৰ অভাৱেই জনস্বাস্থ্যৰ ওপৰতো ভয়াবহতা আনিব পাৰে। খাদ্য বস্তু প্লাষ্টিকৰ বাচন বা বেগত ৰাখিলে প্লাষ্টিকৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক দ্ৰব্য খাদ্যৰ লগত মিহলি হোৱাৰ সম্ভাৱনা থকা। সেই খাদ্য গ্ৰহণ কৰিলে কেঞ্চাৰৰ দৰে ভয়াবহ ৰোগত আক্ৰান্ত হ'ব পাৰে। প্লাষ্টিক আৱৰ্জনাৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক দ্ৰব্য বা ক্লৰিণ জাতীয় পদাৰ্থ ভূমিৰ লগত মিহলি হৈ যায়। ইয়াৰ অতিমাত্ৰা কাৰণবশত এদিন প্ৰমাণ হব যে টেপৰ পানীতো বিষাক্ত ৰাসায়নিক দ্ৰব্য পোৱা গৈছে। জলস্থলৰ ক্ষেত্ৰত উল্লেখ কৰিব লাগিব যে দিনক দিনে প্লাষ্টিক আৱৰ্জনাৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক দ্ৰব্য বা ক্লৰিণ জাতীয় পদাৰ্থ ভূমিৰ লগত মিহলি হৈ যায় আৰু ক্ৰমান্বয়ে ভূমিস্থলতে পানীৰ লগত মিহলি হৈ যায়। ইয়াৰ অতিমাত্ৰা কাৰণবশত এদিন প্ৰমাণ হব যে টেপৰ পানীতো বিষাক্ত ৰাসায়নিক দ্ৰব্য পোৱা গৈছে। জলস্থলৰ ক্ষেত্ৰত উল্লেখ কৰিব লাগিব যে দিনক দিনে প্লাষ্টিকৰ আৱৰ্জনা সাগৰ, নদী বা বিল আদিৰ পানীৰ লগত মিহলি হৈ আছে। জলস্থলত থকা জীৱই ইয়াৰ কুপ্ৰভাৱ ভুগিব লগা হৈছে। জলস্থলৰ জীৱই ভুলতে প্লাষ্টিকৰ আৱৰ্জনাৰ টুকুৰা খাদ্য হিচাপে গ্ৰহণ কৰিছে। এক কথাত কবলৈ হলে জীৱৰ খাদ্য শৃংখলাত প্লাষ্টিক সোমাই আছে।


তথ্যভিত্তিক ব্যাখ্যাৰে উল্লেখ কৰিব লাগিব যে গোটেই বিশ্বত ১০ কোটি টন প্লাষ্টিকজাত সামগ্ৰী বছৰি ব্যৱহাৰ কৰা হয়। Munucipal solid waste ৰ ভিতৰত প্লাষ্টিক হল আয়তনত তৃতীয় বৃহৎ সংখ্যক। মোটামুটিকৈ বিশ্বত বছৰি ১০,০০০ টন প্লাষ্টিকৰ আৱৰ্জনা সৃষ্টি হয়। ধাৰণা কৰা হৈছে, এই হাৰত প্লাষ্টিক ব্যৱহাৰৰ ফলত ২০৫০ চনত সাগৰ বা জলস্থল মাছতকৈ বেছি প্লাষ্টিকেৰে ভৰি পৰিব। প্লাষ্টিকৰ পৰা সৃষ্টি হোৱা সমস্যা অকল ইমানেই নহয়। চহৰ অঞ্চলৰ জাবৰ নিস্কাশন পদ্ধতিৰ আকৃতকাৰ্যতাৰ

আন এক কাৰণ হ'ল জাবৰৰ লগত মিশ্ৰিত হৈ থকা প্লাষ্টিক। যাৰ ফলত জাবৰ পোচন প্ৰক্ৰিয়াৰ বাবে ভূমি পূৰণ (land fill) কৰিব নোৱাৰি। প্লাষ্টিক মাটিত পুতিলে ভূমিস্থলৰ পানী পৰিবাহিত হোৱাত বাধা সৃষ্টি হয়। চহৰ অঞ্চলত প্লাষ্টিক নলাত পেলোৱা বাবে এজাক বৰষুণেই কৃত্ৰিম বানপানীৰ সৃষ্টি কৰে। প্লাষ্টিক জ্বলাই দিলে বিষাক্ত গেছ নিৰ্গত হয়, যিতে আমাৰ বায়ুমণ্ডল প্ৰদূষিত কৰে।

প্লাষ্টিকৰ এই ভয়াবহতাৰ পৰা পৰিত্ৰাণ পাবলৈ হলে আমি এক সহজ "4R" নীতি পালন কৰিব। 4R নীতি হ'ল Refuse, Reduce, Reuse আৰু Recycle

প্ৰথমতে, প্লাষ্টিকৰ ব্যৱহাৰ কৰাটো একেবাৰে (Refuse) ত্যাগ কৰক। বাধ্যতামূলক কাৰণৰ ক্ষেত্ৰত ত্যাগ কৰিব নোৱাৰিলে ব্যৱহাৰ কমাই (Reduce) দিয়ক। তাৰোপৰি পুনঃ ব্যৱহাৰৰ (Reuse) হোৱা প্লাষ্টিক সামগ্ৰীবোৰ ইয়াৰ জীৱনকাল সম্পূৰ্ণ হোৱালৈকে ব্যৱহাৰ কৰক। অৱশেষত ব্যৱহাৰৰ পিছত ইয়াৰ উপাদানৰ দ্বাৰা (Recycle) পুনঃনিৰ্মিত সামগ্ৰীৰ কাৰণে ব্যৱস্থা লোৱা যাওক।

প্লাষ্টিক প্ৰদূষণৰ পৰা মুক্ত হবলৈ দৃঢ় প্ৰতিজ্ঞা লোৱা যাওঁক, দেখিব যে প্লাষ্টিকৰ বিকল্প সন্মুখত নিজেই ধৰা দিব। শেষত, বিশ্ব পৰিৱেশ দিৱসৰ দিনা আমি সকলোৱে বিশ্বৰ লগতে একেলগে এক শ্লোগান দিওঁ "Beat Plastic Waste"!






Scanned by CamScanner

# পৰিবৰ্ত্তন

*স্নিগ্ধা বৰদলৈ*
প্ৰাক্তন ছাত্ৰী ২০১৩ বৰ্ষ

আজি মোৰ কলমটো থমকি ৰৈছে,
পৰিবৰ্তিত পৃথিৱীখনত
আকৰবোৰে বৰ হাহাকাৰ কৰিছে।
আজি মোৰ আইৰ সমান থমকি ৰৈছে,
পৰিবৰ্তনৰ জোৰাৰত ভাঁহি উঠা প্ৰতিবাদী
বন্ধই আজি পথ হেৰুৱাইছে।

ইতিহাসৰ সোণালী আখৰে মোক হাতবাউলিয়াই মাতিছে
জনাতাৰ তেজেৰে আজি ইতিহাস
মচি পেলাইছে।

পৰিবৰ্তন আজি হ'ল সোঁৱৰণি,
বিচৰিছোঁ কৰবাত আছে যদি
মোৰ আইৰ শৈশৱৰ ধেমালি।


নাই আজি সকলো সোঁৱৰণি, নিজক পাহৰা সমাজখন
আজি জনাতাৰ তেজেৰে মহাভোজৰ আয়োজন কৰিছে।
যেলি দিছে শৈশৱৰ ৰজা ৰানী খেলা স্মৃতিক।
যদি এয়াই আছিৰ মোৰ আইৰ পৰিবৰ্তন
যদি এয়াই আছিল মণিৰাম, পিয়লি, কনকলতাৰ
তেজেৰে ধোৱা সপোনৰ কাৰেং।
তেন্তে আকোঁৱালি লৈছে তোমাক,
পৰিৰৰ্তন। পৰিবৰ্তন।। পৰিবৰ্ত্তন।।।

# কল্পনা

*শ্ৰী ঝৰ্ণাৰাণী কাকতি*

কল্পনা নহয় এটি শব্দ
নহয় এটি নাম
কল্পনা মাথোঁ এটি গান।।
যিগানৰ হ'ল নিষ্ঠুৰ সমাপ্তি
কিন্তু জীয়াই আছে এতিয়াও
সেই গানৰ সুৰৰ ঝংকাৰ,
১০১৭ চনতে শূন্য হৈ গ'ল এই গান
কিন্তু এতিয়াও এই গান স্মৃতিয়ে
যেন আঘাত কৰে অন্তৰৰ কোনোবাখিনিত

এই গানৰ মাজতে আছে
অজস্ৰ গুণৰ অধিকাৰী,
সহস্ৰ প্ৰণাম মোৰ সেই গানটিলৈ
সেই গানটিয়েই হ'ল
আমাৰ মৰমৰ আচাৰ্য্য স্বৰ্গীয় কল্পনা শৰ্মা বৰদলৈ





Scanned by CamScanner

# নিস্তব্ধতা

*জিষ্ণু প্ৰকাশ বৰুৱা*
প্ৰাক্তন ছাত্ৰ - ২০১৪ বৰ্ষ


সময়বোৰ কেনেকৈ পাৰহৈ গ'ল গমেই নপাও,
তোমাৰ হাতখনে যে মোৰ হাতখন এৰি দিলে
উমানেই নাপালো
সপোনবোৰ বাস্তৱত ভাঙি পৰিল
মৰমবোৰ বৰষুণৰ টোপালৰ দৰে সৰি পৰিল,
তুমি ছাগে গভীৰ নিদ্ৰাত মগ্ন
মই পিছে এতিয়াও নিদ্ৰাহীন অক্লান্ত।
শুব পৰা নাই মই
হয়, শুব পৰা নাই মই,
পিছে সেইয়া গৰমৰ জ্বালা নহয়
অসংখ্য ভাৱনাৰ থাপনাৰ খেলা।
সকলো যেন নিমাও-মাও, স্তব্ধ
পিছে নয়নে যে নামানে মগজুৰ বাক্য,
আৰে, এয়াইতো মৰম, এয়াইতো ভালপোৱা
য'ত লুটকেৰে তিতি উঠে শয়নৰ গাৰু।
য'ত স্মৃতিৰ পথাৰত সিচেঁ অগণন অশ্ৰু।।
কিন্তু, সময়বোৰ জানোঁ উলটি আহিব ?
মোৰ বুকু উপচাই মৰমবোৰে জানো লুকা-ভাকু খেলিব,
নে স্মৃতিবোৰ তলসৰা শেৱালি হৈ পৰি ৰ'ব
বন্ধ কোঠাৰ এটা চুকত,
য'ত বিৰাজমান হ'ব কেৱল
নিস্তব্ধতা আৰু নিস্তব্ধতা !

# আমাৰ নিকেতনৰ ২৫ বছৰ সম্পূৰ্ণ হ'ব

*শ্ৰী প্ৰীতম বৰা*
প্ৰাক্তন ছাত্ৰ, ২০১৮ বৰ্ষ


এটি সোণালী সময়ৰ ২৫ বছৰ
এই ২৫ বছৰ বৰ্ণীল যাত্ৰাত আছে
অভিজ্ঞতাৰ অৱেশৰ ৰঙীণ আচলৰ বৰ্ণালী
এই ২৫ বছৰ স্মৃতিৰ, ২৫ বছৰ আৱেগৰ
২৫ বছৰ ছাত্ৰ-শিক্ষকৰ অপূৰ্ব সম্বন্ধৰ
২৫ বছৰ শিক্ষাৰ উষ্ম আৱৰণীৰ
২৫ বছৰ তিতা-কেঁহা, মিঠা-টেঙা প্ৰতিটো পলৰ।
অভিজ্ঞতা, অনুভূতি, আৱেগ, স্মৃতি
এইসকলো বিবিধ কুসুমৰ বাস্তৱিত পুষ্প মালা
সৌৰতী এই ২৫ বছৰ।
এই ২৫ বছৰে বহুতো শিকালে, বহুতো দিলে
আৰু বছৰে বহুতকে শিকাব, বহুতকে দিব
শিক্ষাৰ বন্তিগছি এনেকৈ জ্বলি থাকিব
শলিতাৰ আয়ুস আয়ুষমান হ'ব।

শংকৰদেৱ বিদ্যা নিকেতনৰ ২৫ বছৰ পূৰ হ'ব
এই নিকেতনৰ ২৫ বছৰ সম্পূৰ্ণ হ'ব
আমাৰ নিকেতনৰ ২৫ বছৰ সম্পূৰ্ণ হ'ব !!!...





Scanned by CamScanner



# কল্পনাৰ হাঁহি

*নয়ন্জ্যোতি বৰা*
২০১৩ বৰ্ষ

শাওনৰ আকাশখনি মেঘে ঘেৰ ঘেৰ কৰে।
তাতে বহি বিজুলীয়ে তাঁত বাতি কৰে।।
খাল পথাৰ ডোঙা ডুঙি বৰষুণেৰে ভৰে।
ডাৱৰবোৰে ডুম্বা বজাই ঘোঁৰা গাড়ীত লৰে।।
কাৰ জানো হাঁহি এটি টোপাল টোপে সৰে।
আকাশখনে হাঁহি আছে কল্পনাৰ দৰে।।
শাওনৰ পথাৰখনি সেউজেৰে ভৰে।
কোনোজনে বুই গ'ল সুৰাগমনিৰে ভৰে।।
নীলা আকাশত শাৰী শাৰী বগলীৰ ৰেখা।
বৰথলা বৰটোকোলাই ভাবে কিনো কবা।।
কাৰ জানো কিৰিলিবোৰে পথাৰখনি লৰে।
ৰোৱাবোৰে হাঁহি আচে কল্পনাৰ দৰে।।
ভুৰুং ভুৰুং চৰাই উৰে বাজিল ডবা কাঁহ।
পুখুৰী চাৰি পাৰত উঠিল ৰাজহাঁহ।।
কামচৰাই ৰঙা ওঠত ৰঙা বেলিৰ ৰং।
তাকে চাই ভেকুলীৰ মুৰত উঠিল খং।।
কাৰ জানো কল-কলনি ডেউকা লৰাই উঠে।
ভাঁটো জাকে হাঁহি আচে কল্পনাৰ দৰে।।

# পুৰা এটা তেজাল কবিতা

*শ্ৰী ৰিমঝিম হাজৰিকা*
প্ৰাক্তন ছাত্ৰী ২০১৫ বৰ্ষ

এৰাতি এন্ধাৰ ফালি
এনে তেজাল গা ধুই
বেলি এটাই এখন আকাশলৈ চালে।
মনটো ঢৌ এটা হৈ লুইত খনেদি উজাই গ'ল।
সি বোলে প্ৰাতঃস্নাত বেলিৰ
কলিজাৰ গভীৰতা জুখিব,
কিমান গভীৰ হ'ব পাৰে
বেলিৰ কলিজা।
কিমান তেজাল হ'ব পাৰে
কলিজাৰ মাজৰ কবিতা !
হেঙুলীয়া চাদৰ এখনে
মনটোক নুৰিয়াই পেলালে,
হেঙুলীয়া চাদৰৰ মাজত
নিজেই হৈ পৰিল এটা তেজাল কবিতা।
কলিজাৰ স্পন্দনত -
উঠা-নমা কৰে লুইতৰ বুকু
উঠা-নমা কৰে হেঙুলীয়া চাদৰ
উঠা-নমা কৰে টুলুঙা নাও
উঠা-নমা কৰে পুৰাৰ এটা তেজাল কবিতা।






Scanned by CamScanner

# জয়

*শ্ৰী সংগীতা ডেকা*
প্ৰাক্তন ছাত্ৰী, ২০১৫ বৰ্ষ

আমি আগুৱাই যাওঁ
উৰুৱাই ৰক্ত ৰঙীন পতাকা
বজাই হৰ্ষৰে বিজয় দুন্দুভী
কপালত আঁকি জয়ৰ তিলক
হেন্দোলদোপ কৰি বিমৰ্ষ শতাব্দীৰ স্তব্ধ প্ৰান্ত
পশু শক্তিৰ পাঞ্জাৰ ভাঙি দি
অৱসান আনিম ৰাজত্ব;
মহা সাগৰৰ বুকুত ভঙাই দিম
সম্ৰাটৰ উচ্চ সিংহাসন,
কাঢ়ি লই শোষণৰ দুৰ্জয় গাণ্ডীৱ
আদৰিম সাম্যৰ শাসন !!



# হয়তো তুমি নাজানা

*ভাস্কৰ বৰা*
প্ৰাক্তন ছাত্ৰ - ২০১৮ বৰ্ষ

হয়তো তুমি নাজানা
তুমালৈ মোৰ কিমান হেপাহ
এতিয়াও ভাহি আহে
মৰহি যোৱা ফুলপাহৰ গোন্ধ
হয়তো তুমি নাজানা
তোমালৈ মোৰ কিমান আসক্তি
তুমি চালেই বৈ আহে বুকুলৈ
শীতল মলয়া এছাটি।
ফেচবুকত যেতিয়াই দেখোঁ
তোমাৰ আপোন বিলেচন,
বুকুত জাগি উঠে এক
আবেগভৰা শিহৰণ।
হয়তো তুমি নাজানা
এতিয়াও তোমালৈ কিমান মৰম।
জানোঁ তুমিও মোক পাহৰা নাই,
নহলে মেছেজ নিদিলাহেতেন
- "হাউ আৰ ইউ"।
বেয়া নাপাবা তোমাৰ
জি এফ এ বেয়া পাব বুলিয়েই
নিদিওঁ ৰিপলাই।
হয়তো তুমি নাজানা
আলফুলে ৰাখিছোঁ ইছমতিবোৰ
হৃদয়ৰ এক বনধ কোঠালিত।



Scanned by CamScanner

# মোৰ হৃদয়ৰ শেৱালি

শ্ৰী তৃষা ঋষি বৰা
প্ৰাক্তন ছাত্ৰী - ২০১৫ বৰ্ষ

সন্ধিয়া ফুলে মোৰ হৃদয়ত !
তুমি দুখ নুবুজা শেৱালি।
মাথো ফুলা আৰু সৰা।।
তুমি জানো বুজা,
যৌৱনৰ উন্মাদনা ?
বুজা জানোঁ,
প্ৰেমৰ শ্বাসৰুদ্ধ শীতলতাৰ জোঁৱাৰ ?
নুবুজা তুমি _
যদি বুজিলা হয় বিচ্ছেদৰ বিৰহ বেদনা !
যদি উপলব্ধি কৰিলা হয় মৌনতাৰ চিৎকাৰ।
তুমি_ তুমি দুখ নুবুজা শেৱালি,
মাথোঁ ফুলা আৰু সৰা !
তুমি কি বুজিবা,
স্নিগ্ধ জোনাক নিশাৰ,
তৰাৰ গুণগুণ গান।
জোনাকী পৰুৱাৰ
নিশাৰ অভিযান ?
তুমি যে মাথো
ফুলা আৰু সৰা ।।
তুমি জানোঁ নেদেখা,
আকাশৰ জোনে খেলা,
লুকাভাকুৰ খেল ?
তুমি জানো নুশুনা,
নিশা চৰাইৰ,
ফুচফুচ শব্দৰে
কথাৰ খেল ?
শেৱালি !
তল ভৰি থাকা তুমি,
তোমাৰ লাস্যময়ী কামনাৰ জোৱাৰেৰে !
তোমাৰ সুগন্ধৰে,
কৰি তোলা উন্মাদ নিশা প্ৰদান,
তুমি দুখ নুবুজা শেৱালি !!
তুমি মাথোঁ ফুলা আৰু সৰা !!

---

# নিঠৰুৱা জীৱন

অপৰাজিতা বৰা
প্ৰাক্তন ছাত্ৰী, ২০১৫ বৰ্ষ

জীৱন আছে কিন্তু
ভৰষা নাই।
আশা আছে,
কিন্তু বাস্তৱতা নহি। মন
আছে, কিন্তু ধন নাই
বন্ধু আছে, কিন্তু প্ৰকৃত
বন্ধু নাই।
আত্মীয় আছে, কিন্তু
নিজৰ বুলিবৰ মহি।
প্ৰেম আছে কিন্তু
প্ৰমিকা নাই।




Scanned by CamScanner

# হে অসমী আইৰ বীৰ শ্বহীদ

*মানৱত্ন বৰা*
প্ৰাক্তন ছাত্ৰ - ২০১৬ বৰ্ষ

স্বপ্ন দেখিছিলা অসমী আইৰ পূজাৰ
অহিংসা নীতিৰে সংগ্ৰাম কৰি।
হৃদয়ৰ কল্পনা হৃদয়তে ৰাখি
কিয় যে আঁতৰি গ'লাগৈ গুচি।।
এয়াতো মৰণ নহয় তোমাৰ
ই এক সাহস জননীক ভালপোৱাৰ
এয়া যে সময় নতুন দিনৰ
প্ৰতিশ্ৰুতি এক নৰসমাজৰ।।
অসমী আইৰ কোলাত তুমি
সদায় হৈ ৰোৱা তুমি এগচি বন্তি।
হে মহান তুমি, হে বীৰ শ্বহীদ তুমি
তোমাৰ ত্যাগক কৰোঁ সহস্ৰ প্ৰণাম।



# এয়াই নেকি

*শ্ৰী জ্যোতিস্কা ভূঞা*
প্ৰাক্তন ছাত্ৰী, ২০১৫ বৰ্ষ
সাংস্কৃতিক সম্পাদক, প্ৰাক্তন ছাত্ৰ ভাৰতী

মই আচো কলুসিত নৰকৰ যান্ত্ৰনাত
মাজে মাজে শুনিব পাইছো
পাহাৰ-পৰ্বতত ঠেকা খাই,
ৰতাহৰ লগত ভাহি অহা
মৰ্ত্যৰ আলাস-উল্লাস।

ঢোল, পেঁপা, নাগাড়াৰ মাতত
যন্ত্ৰনাৰে থকা মোৰ আত্মাই
দুগুন লয়লাসেৰে জ্বলিব ধৰে
মোৰ বাবে স্তব্ধ হৈ ৰব জানোঁ
সেই আনন্দময় পৰিৱেশ ?
মইটো তোমাৰ হাতৰ লিহিৰিৰে সৰকা
ধুলিকণা।
যি পৃথিৱীৰ হকে
নিজৰ আকাশ, নিজৰ ৰতাহ
আমাৰ পৃথিৱী কৈ চিঞৰি ক্লান্ত হওঁ
সেই পৃথিৱী আজি মোৰ যন্ত্ৰনাৰ মৌন।
এয়াই নেকি জীৱনৰ ৰং য



Scanned by CamScanner

# গুৰু শঙ্কৰ

*শ্ৰী দিপমণি বৰা*
প্ৰাক্তন ছাত্ৰী, ২০১৫ বৰ্ষ

গুৰু শঙ্কৰ !
তুমি পূণ্যভূমি বৰদোৱাৰ আলিপুখুৰীত
কৃষ্ণ-শংকৰ অৱতাৰ ধাৰণ কৰি
কুসুম্বৰ ঔৰষে-সত্যসন্ধাৰ গৰ্ভে
শঙ্কৰস্বৰূপে আৱিৰ্ভাৱ হৈলা।
মহেন্দ্ৰ কন্দলীৰ টোলত অধ্যান কৰি
পণ্ডিত হৈলা,
ৰচিলা কীৰ্ত্তন-দশম-বৰগীত-ভটিমা
খোল-তাল-মৃদঙ্গ গঢ়ি, নামঘৰ সত্ৰ সাজি
চৈধ্য শাস্ত্ৰ ওঠৰ পুৰাণ অধ্যয়ন কৰি
দেখাইলা চিহ্ন যাত্ৰা নমৰ এক ভাওনা,
নিৰক্ষৰজনৰ মনৰ পৰা অন্ধকাৰ আঁতৰাই
ভকতিৰ পথ দেখুৱাই কৰিলা উদ্ধাৰ।
একে ৰাতিৰ ভিতৰত গুণমালা প্ৰণয়ন কৰি
ভুৰুকাত হাতী ভৰাই দিলা ৰাজ সভাত,
ৰজা-প্ৰজা-মন্ত্ৰীবৰ্গ সবাকো মুহি
কৰিলা প্ৰচাৰ
তোমাৰ কৃপাতেই দেখিলোঁ আমি
এই মোহনীয় অসমখনি
আজি ধন্য হ'লো আমি অসমবাসী।
শত-সহস্ৰ বৈষ্ণৱ ভক্তৰ পদৰ ধূলি
লওঁ আমি,
ভক্তিৰ দুহাতেৰে শিৰত তুলি
আকাশত হৰিনাম,
বতাহত হৰিনাম,
ভকতসবৰ ধ্বনিয়ে আকুল কৰিলে
মন-প্ৰাণ
জাতি-উপজাতি মিলি আজি
গাইচে গুৰুজনাৰ গুণ-গান।




Scanned by CamScanner

# মই হিৰেণ নামৰ কবি

*হিৰণ্য বৰা*
প্ৰাক্তন ছাত্ৰ, ২০১২ বৰ্ষ

চিলাই চিঙিৰ ধৰা কামিজৰ বুটাম খুলি
মোৰ বুকুত হাত থলে পাবা
হিৰেণ নামৰ কবি...
কঠিন শিলত গঢ়া মৃত্যু শিল্পক সাৰতি
সজাৰ দুৱাৰ খুলি মুক্ত আকাশলৈ
ধাৱলি হলা
তুমি হিৰেণ নামৰ কবি ...
চাৰকাললৈ জনগনক ব্যাকুলতাৰ
কবিতা পঢ়াই
চকু পানীৰ গান শুনাই
সোনোৱালী পাল তৰা নাৱত উঠি
মেলানি মাগিলা
তুমি হিৰেণ নামৰ কবি ...
এতিয়া স্তবন্ধ যেন কবিতাৰ পঙক্তি...
শব্দৰ পৃথিৱী আন্দোলিত কৰি
চিৰসুন্দৰৰ সাধনাত তৰুণ তুমি
বিদায় মাগিলা
এই ধুনীয়া ধৰণী...
ফাগুন লাগে আমাক...
বহাগো লাগে আমাক...
আৰু লাগে আমাক
হিৰেণ নামৰ কবি...
ঘুৰি আহিবা তুমি আকৌ বাঁহীত
কোমল মধুৰ সুৰ তুলিবলৈ...
স্নিগ্ধ জোনাকত নিয়ৰৰ ফুলেৰে
মালা গাঁঠিবলৈ
তুমি আকৌ আহিবা ...
আদেশৰ প্ৰয়োজন নোহোৱা
দেশখনৰ বুৰঞ্জীত
নিজে লিখি দিবাহি হীৰুদা
যে মই হিৰেণ নামৰ কবি।





Scanned by CamScanner

# এমুঠি সঁচা মানুহ লাগে

(কথা কবিতা)

ৰুচি শইকীয়া
প্ৰাক্তন ছাত্ৰ, ২০১৩ বৰ্ষ

এমুঠি সঁচা মানুহ লাগে, নামি পৰিছোঁ এক নতুন অভিযানত। আৰম্ভ হৈছে এক নতুন অনুসন্ধানৰ সঁচা মানুহ লাগে। ক'ত পাম বিচাৰি ? ক'ত বিচাৰি যাম ? আধুনিকতাৰ মুখা পিন্ধি ভদ্ৰ হৈ দেখুওৱা সেইমানুহবোৰেই নেকি সঁচা মানুহ-প্ৰকৃত মানুহ যাক মই বিচাৰি ফুৰিছোঁ। ক'তা, মুখা খুলি হিংস্ৰ হ'বলৈ দেখোন এওঁলোকে বেছি সময়ৰ আশ্ৰয় লোৱা নাই। নে মোৰেই ভুল হৈচে এওঁলোকক বুজি পোৱাত। ভুল হৈছে মোৰ এওঁলোকৰ প্ৰকৃত পৰিচয় জনাত। এয়া মানৱ নহয়। মানৱৰূপী অমানৱ। আপোন জনৰ তেজেৰে ৰাঙলী কৰিছে নিজৰ সমগ্ৰ শৰীৰ। জীয়া মানুহৰ তেজেৰে খেলিছে ফাঁকু। হিংস্ৰতা, নিৰ্দয় অমানৱীয়তা এওঁলোকৰ অস্ত্ৰ। হত্যা যেন তেওঁলোকৰ জীৱনৰ মন্ত্ৰ। এক অবুজ মানসিকতাৰ গৰাকী অ' হেৰা মানৱৰূপী কাল তুমি কি বুজিবা আপোনজনক হেৰুওৱাৰ বেদনা। চকুৰ এটি এটি টোপালৰ দুখ, মৰম লগাজনৰ কৰুণতা। তুমি কি বুজিবা ? স্বাধীনতাৰ সুগন্ধ বিচাৰি পৰাধীনতাৰ বান্ধোনত বান্ধ খাই তুমি যি অস্ত্ৰ ধৰিছা, শত-সহস্ৰ জনৰ হিয়াৰ আমঠুক লৈ যি ৰঙা ৰঙা কুঁৱলী নমাই আনিছা, সেই কুঁৱলীৰ আৱৰণে হয়তো তোমাকেই আগচি ধৰিব আৰু তোমাক তিল তিল কৈ মাৰিব সেই ভাতৃ সকলৰ তেজস্বী অস্ত্ৰৰ টোপালে। কেঁচা তেজৰ গোন্ধত তুমিও হয়তো মৰ্মাহত হ'বা। আৰু সেই মৰিশালীৰ মৰা শ বোৰৰ মাজত নিজকে জীয়াই ৰাখিবলৈ কষ্ট পাবা। নাই তুমি মুঠেও হ'ব নোৱাৰা সেই প্ৰকৃত মানুহ সেই সকল সঁচা মানুহ যাক মই বিচাৰি ফুৰিছোঁ



Scanned by CamScanner

# तनहा

*डिम्पी शर्मा*
प्राक्तन छात्री,
2016 बर्ष

जिस तरह चढ़ता है, उसे तरह उतरता है।
चोटियों पर सदा के लिए कौन ठहरता है।

बहुत गुरुर न कर अपनेआप पे ये दोस्त,
मिट्‌टी का खिलौना है, टूटकर बिखरता है।

हर हाल में खुस रहता हूँ बस ये सोचकर,
वक्त जैसा भी हो, एक रोज गुजरता है।

खौफ नही मुझको दरिया की गहराई से
जिसमें डूबने का हुनर हो वो उभरता है।

हालात से लड़ता रहूँगा तबतक 'तनहा',
चबतक बिगड़ा मुकद्दर नहीं सँवरता है।

# নিসঙ্গতা

*শ্ৰী ধৰিত্ৰী বৰা*
প্ৰাক্তন ছাত্ৰী - ২০১৫ বৰ্ষ

ভালপোৱা বিক্ৰী হয়
আৰু
মৰমৰ নিলাম হয়,
ভৰষাৰ হত্যাত নিঃসঙ্গ
জীৱন সুলভ হয়,
নিসঙ্গ জীৱনৰ লগৰী
যেতিয়াই বাছি লোৱা
হয়,
তেতিয়াই সমাজত
মদাহী নামেৰে আমাৰ
চিনাকি হয়।



Scanned by CamScanner

# অন্ধ বিশ্বাস হায় ! হায় !!

*শ্ৰী কৌস্তভ বৰা,*
প্ৰাক্তন ছাত্ৰ, ২০১৬ বৰ্ষ

আমি মুৰ্খ
কাৰণ আমি পৰা নাই বাধা দিবলৈ
যিহকে কৈছে তাকে মানি লৈছো
শিক্ষাৰ অভাৱ বুলিয়ে কব নোৱাৰি
আমাৰ মাজত চিন্তাৰ অভাৱ
বিবেক বুদ্ধিৰ অভাৱ
মনৰ সন্তুষ্টিতে আমি যিহকে তিহকে কৰিবলৈ লৈছো
কোনোবাই কৈছে
তাই ডাইনী আৰু সি সোপাধৰা
আমি মানি লৈছো
আইন কানুন গুলি মাৰ, নিজেই মৰিয়াই মৰিয়াই হত্যা কৰিছো
চেল্ফি উঠিছো, ভিডিঅ' কৰিছো
হাতে হাতে স্মাৰ্ট ফোন লৈও
মনটো স্মাৰ্ট কৰিব পৰা নাই
ইমানকৈ শিক্ষা লৈও ৰিজাল্টৰ আগদিনা
সৰস্বতীৰ ফটোখন দহজনলৈ চেণ্ড কৰিছো
পঢ়ি পঢ়ি শিক্ষিত হৈছো, ডক্টৰেট বুটলিছো কিন্তু
কেন্সাৰৰ প্ৰকৃত কাৰণ পাপ বুলিহে কৈছো
হায় ! অন্ধ বিশ্বাস হায় !!
ভূগোল বিজ্ঞান অধ্যয়ন কৰিও
চন্দ্ৰ গ্ৰহণ আৰু সূৰ্য্য গ্ৰহণৰ সময়ছোৱাত
একো নোখোৱাকৈ আছো।
নখচুলি কাটিবলৈ দিন বাৰ চাই আছো
বিভিন্ন মণি মুকুটা আঙুলিত পিন্ধিছো
আৰু কত যে কি...
আনে যি কৈছে মানি লৈছো
বিবেকেৰে ভাবি চাবলৈ সময় নাই,
অন্ধবিশ্বাসৰ জন্ম দিছো
প্ৰকৃতাৰ্থত আমি মূৰ্খ অজ্ঞান নহয়নে ?



Scanned by CamScanner

# আমাৰ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় সম্পদ সমূহ

***শ্ৰী মৌচুমী বৰা***
প্ৰাক্তন ছাত্ৰী - ২০০০ বৰ্ষ

| | |
|---|---|
| ৰাষ্ট্ৰীয় ফুল | - পদুম |
| ৰাষ্ট্ৰীয় বৃক্ষ | - বৰগছ |
| ৰাষ্ট্ৰীয় পানীয় | - চাহ |
| ৰাষ্ট্ৰীয় মিঠাই | - জেলেপী |
| ৰাষ্ট্ৰীয় পাচলি | - ৰঙালাউ |
| ৰাষ্ট্ৰীয় আহাৰ | - খিচিৰি |
| ৰাষ্ট্ৰীয় গীত | - বন্দে মাতৰম |
| ৰাষ্ট্ৰীয় সংগীত | - জন গণ মন |
| ৰাষ্ট্ৰীয় পক্ষী | - ম'ৰা চৰাই |
| ৰাষ্ট্ৰীয় ফল | - আম |
| ৰাষ্ট্ৰীয় নদী | - গংগা |
| ৰাষ্ট্ৰীয় ৰং | - গেৰুৱা |
| ৰাষ্ট্ৰীয় জন্তু | - ৰয়েল বেঙ্গল টাইগাৰ |
| ৰাষ্ট্ৰীয় জল জন্তু | - ৰিভাৰ ডলফিন। |



Scanned by CamScanner

# অসমৰ কিছু তথ্য

সংগ্ৰহ ঃ শ্ৰী ধনঞ্জয় আমচং
প্ৰাক্তন ছাত্ৰ, ১৯৯৯ বৰ্ষ
সভাপতি, প্ৰাক্তন ছাত্ৰ ভাৰতী

| | | |
|---|---|---|
| ৰাজধানী | ঃ | দিছপুৰ |
| মুঠ মাটি কালি | ঃ | ৭৮,৪৩৮ বৰ্গ কিঃমিঃ |
| মুঠ জন সংখ্যা | ঃ | (২০১১) ৩,১১,৬৯,২৭২ |
| বিধান সভা আসন | ঃ | ১২৬ |
| লোক সভা আসন | ঃ | ১৪ |
| ৰাজ্য সভা আসন | ঃ | ৭ |
| মুঠ জিলা | ঃ | ৩৩ |
| মুঠ গাঁও | ঃ | ২৬,২৪৭ |
| মুঠ গাঁও পঞ্চায়ত | ঃ | ২৪৮৯ (বৰ্তমান) |
| মুঠ মহকুমা | ঃ | ৭৮ |
| জিলা পৰিষদ | ঃ | ২১ |
| আঞ্চলিক পঞ্চায়ত | ঃ | ১৮৫ |
| গাঁও পঞ্চায়ত | ঃ | ২২০২ (২০১১ সমীক্ষা) |
| ষষ্ঠ অনুসুচী জিলা | ঃ | ৬ |
| ব্লক বা মণ্ডল | ঃ | ২১৯ |
| মুঠ কৃষি ভূমি | ঃ | ৩৯,৮৮,৬০০ হেক্টৰ |
| মুঠ বনাঞ্চল | ঃ | ২৩৫৭৯৮ |
| সাক্ষৰতাৰ হাৰ | ঃ | (২০১১) ৭৩.১৮ শতাংশ। প্ৰতি এক হাজাৰজন পুৰুষৰ বিপৰীতে ৯৫৪ মহিলা |
| প্ৰধান নদী | ঃ | ব্ৰহ্মপুত্ৰ আৰু বৰাক |
| মুখ্য ভাষা | ঃ | অসমীয়া |
| পৃথিৱীৰ বৃহত্তম নদী দ্বীপ | ঃ | মাজুলী |
| চাৰিসীমা | ঃ | পূৱে - নাগালেণ্ড, মনিপুৰ, ম্যানমাৰ। পশ্চিমে - পশ্চিমবঙ্গ। উত্তৰে - ভূটান আৰু অৰুনাচল প্ৰদেশ। দক্ষিনে -মিজোৰাম, ত্ৰিপুৰা, বাংলাদেশ আৰু মেঘালয় |
| গ্ৰাম্য বি.পি.এল. ৰ সংখ্যা | ঃ | ৫৯.৪৩ শতাংশ |
| সবাতোকৈ বেছি বি.পি.এল. | ঃ | ৭৫.২৫ শতাংশ গোৱালপাৰা আৰু ধুবুৰি ৭৫.০৩ শতাংশ |

সাবাতোকৈ কম বি.পি.এল. পৰিয়ালঃ যোৰহাট, ৪১ শতাংশ।



Scanned by CamScanner

# প্ৰাক্তন ছাত্ৰ ভাৰতী ২০১৮-১৯

## শংকৰদেৱ বিদ্যা নিকেতন কঠীয়াতলী

অধ্যক্ষ: শ্ৰী ধনঞ্জয় আমচং

উপাধক্ষ: শ্ৰী গোপাল কৃষ্ণ বৰা

শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা

সম্পাদক: শ্ৰী শুভাংকৰ পাল

সহ: সম্পাদক : শ্ৰী অসীম ভূঞা

শ্ৰী ৰূপম শৰ্মা

কোষাধক্ষ: শ্ৰী শিল্পী আগৰৱাল

ক্ৰীড়া প্ৰমূখ: শ্ৰী বিক্ৰম জিৎ গোঁহাই

সাংস্কৃতিক প্ৰমূখ: শ্ৰীজোতিস্কা ভূঞা

সাহিত্য প্ৰমুখ: শ্ৰী কৌস্তভ বৰা

মাৰ্গ দৰ্শক: শ্ৰী পৰশ জ্যোতি নাথ হাজৰিকা

শ্ৰী কৌশিক বৰা

শ্ৰী পৰশ মণি দেৱনাথ

হিচাপ ৰক্ষক : শ্ৰী প্ৰদীপ্ত নন্দী

শ্ৰী বিতোপন শইকীয়া

সদস্য-সদস্যা: শ্ৰী হেমাংগিনি মল্লিক, শ্ৰী তৃষাঋষি বৰুআ, শ্ৰী ধৰিত্ৰী বৰা, শ্ৰী ডিম্পী শৰ্মা,শ্ৰী দেৱিকা বসুমতাৰী, শ্ৰী শৰ্মিষ্ঠা বৰদলৈ, শ্ৰী কংকনা ডেকাৰজা, শ্ৰী পল্লবী ৰাজখোৱা, শ্ৰী কানু বেজবৰুৱা, শ্ৰী নয়ন জ্যোতি বৰা

Scanned by CamScanner



Scanned by CamScanner